www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

## আপ অসমৰ সভাপতি ধানোৱাৰ

ই-সংবাদ, ২০ ছেপ্টেম্বৰঃ অৱশেষত অসমত সলনি হ'ল আম আদমী পাৰ্টীৰ নেতৃত্ব। দীৰ্ঘ জল্পনা- ৬ পৃষ্ঠাত চাওক

SATURDAY, SEPTEMBER 21, 2024 ■ শনিবাৰ।। ৪ আহিন, ১৯৪৬ শকাব্দ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৫৯ Guwahati, Assam ।। মূল্যঃ এটকা

## স্মাৰ্ট মিটাৰৰ 'ষ্টুপিড কাণ্ড'! ব্ৰিটেইনত ৪০ লাখ মিটাৰত বিজুতি

# আমেৰিকা-ইংলেণ্ডকো জ্বলাই মাৰিছে স্মাৰ্ট মিটাৰে



স্মাৰ্ট মিটাৰ বাতিলৰ দাবীৰে বিৰোধী ঐক্য মঞ্চৰ বিজুলী ভৱন ঘেৰাও, শুকুৰবাৰে

**ই-সংবাদ বিশেষ, ২০ ছেপ্টেম্বৰঃ** স্মাৰ্ট দেশ বুলিলেই ইংলেণ্ড-আমেৰিকা আদিৰ দৰে দেশৰ কথাই আমাৰ মনলৈ আহে। সেয়া লাগিলে শিক্ষা-দীক্ষা, জ্ঞান-বিজ্ঞান বা প্ৰযুক্তি যিয়েই নহওক কিয়! অতীজত আমাৰ দেশ ভাৰতবৰ্ষখন ইংলেণ্ড-আমেৰিকাতকৈয়ো শেষাংশ ২ পৃষ্ঠাত

## গিবনৰ হৈ মাত মাতিলে নাক ভাঙিব বিধায়ক কুৰ্মীয়ে

**ই-সংবাদ, ২০ ছেপ্টেম্বৰঃ** প্ৰাকৃতিক সম্পদৰে ভৰপূৰ অসমখন বিখ্যাত সেউজীয়া অসম হিচাপে। অভয়াৰণ্য কেইখন অসমৰ আত্মাস্বৰূপ। এনে আত্মাক চিৰা-চিৰ কৰিবলৈ অনুমতি দিছে চৰকাৰে। যাৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে অসমীয়া। অসমৰ ৰাইজৰ আৱেগ জড়িত গিবন শেষাংশ ৫ পৃষ্ঠাত

### স্মাৰ্ট মিটাৰ বাতিলৰ দাবী
## বিজুলী ভৱন ঘেৰাও বিৰোধীৰ

**গুৱাহাটী, ২০ ছেপ্টেম্বৰঃ** ৰাজ্যত স্মাৰ্ট মিটাৰক লৈ আতংক অব্যাহত আছে। সৰ্বসাধাৰণৰ ৰক্ত শুহি কঙাল কৰা স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে ৰাজ্যৰ শেষাংশ ৬ পৃষ্ঠাত

## কচুতলীৰ উচ্ছেদ স্থগিত ৰাখিবলৈ প্ৰশাসনক নিৰ্দেশ ন্যায়ালয়ৰ



**ই-সংবাদ, ২০ ছেপ্টেম্বৰঃ** গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী সোণাপুৰৰ উচ্ছেদক লৈ তীব্ৰ চাঞ্চল্য অব্যাহত থকাৰ সময়তে বহু পৰিয়ালক আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে সকাহ শেষাংশ ৫ পৃষ্ঠাত

## ৮০ টকা! পিঁয়াজ-কণী হ'ল মহঙা

**ই-সংবাদ, ২০ ছেপ্টেম্বৰঃ** অসমৰ ৰাজনীতি এতিয়া হিন্দু-মুছলমান, মিঞাত আৰম্ভ হয় আৰু হিন্দু-মুছলমান মিঞাতে সমাপ্ত হয়। জনগণৰ মৌলিক সমস্যাক শেষাংশ ৫ পৃষ্ঠাত

## ভবেশৰ বিৰুদ্ধে কংগ্ৰেছৰ এজাহাৰ

**ই-সংবাদ, ২০ ছেপ্টেম্বৰঃ** বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাৰ এক মন্তব্যক সহজভাৱে ল'ব পৰা নাই অসম প্ৰদেশ কংগ্ৰেছে। অৰুণোদয় আঁচনিৰ শেষাংশ ৬ পৃষ্ঠাত

## অসহ্য! আহিনতো ৰ'দৰ খাণ্ড খাণ্ড ৰূপ

**ই-সংবাদ, ২০ ছেপ্টেম্বৰঃ** তাহানিৰ সেউজীয়া অসম নহয়, এইখন যেন মৰু ৰাজ্যহে। কাহানিও এনে উৎকট গৰম দেখা নাছিল অসমবাসীয়ে। সকলো সীমা অতিক্ৰমি গা দহি নিয়া গৰম দেখিছে অসমৰ মানুহে। হঠাতে গৰমৰ প্ৰকোপ বৃদ্ধি পাইছে। ৪০ ডিগ্ৰীলৈ পাৰাস্তম্ভ উৰ্ধগামি হৈছে। মানুহে মুকলি আকাশৰ তলত এটা মিনিটো থাকিব নোৱাৰা পৰিৱেশ। বজাৰ-সামৰ কৰিবলৈ মানুহৰ ঘৰৰ পৰা ওলাব নোৱাৰা পৰিৱেশ। আজিৰ দিনটোত শেষাংশ ৬ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আমেৰিকা-ইংলেণ্ডকো জ্বলাই

স্মাৰ্ট আছিল বুলিও মাজে মাজে চৰ্চা হৈ থাকে। পিছে এতিয়া সেই ৰামো নাই, অযোধ্যাও নাই। গতিকে স্মাৰ্ট সা-সামগ্ৰী বা উন্নত প্ৰযুক্তিৰ কথা ওলালেই ভাৰতকে ধৰি এছিয়া আৰু আফ্ৰিকা মহাদেশৰ অধিকাংশ দেশেই এতিয়াও পশ্চিমীয়া দেশসমূহলৈকো চাই থাকিবলগীয়াত পৰে। অৱশ্যে জাপান, দক্ষিণ কোৰিয়া, চীন প্ৰভৃতি দেশে কোনো কোনো ক্ষেত্ৰত পশ্চিমীয়া দেশসমূহকো পিছ পেলাবলৈ সমৰ্থ হৈছে।

জনসংখ্যাৰ দিশেৰে শেহতীয়াকৈ চীনকো অতিক্ৰম কৰা ভাৰতে পিছে সেই অতীজৰ দৰে স্মাৰ্ট হ'বলৈকো বহু চেষ্টা কৰিও ভিন্ন কাৰণত ব্যৰ্থ হৈয়ে ৰৈছে। সম্পদ বিতৰণৰ ক্ষেত্ৰতো দেশখনত অসমতাই ভয়াবহ ৰূপ লোৱা বুলি সৰ্বত্ৰে চৰ্চা চলি থকাৰ মাজতে স্মাৰ্ট হোৱাৰ ক্ষেত্ৰত কিন্তু ধনী-দুখীয়া সকলোকে চৰকাৰে একেডাল ৰেখাতে পেলাই লোৱাত সমস্যা এতিয়া দুগুণ হৈ পৰিছে।

সমস্যা দুগুণ হৈ পৰিলেও চৰকাৰে সেইবোৰলৈ কাণ নিদি আমেৰিকা-ইংলেণ্ডৰ নাগৰিকসকলৰ দৰেকৈ ভাৰতীয় নাগৰিকসকলকো স্মাৰ্ট কৰি তোলাতহে অধিক গুৰুত্ব দিয়া দেখা গৈছে। তাৰেই পৰিণতি স্বৰূপে গুজৰাটৰ পৰা আৰম্ভ কৰি অসমলৈকে দেশৰ সৰ্বত্ৰে বিদ্যুতৰ গ্ৰাহকসকলক মেনুৱেল মিটাৰৰ পৰিৱৰ্তে স্মাৰ্ট মিটাৰ ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰা হৈছে। স্মাৰ্ট মিটাৰৰ সুবিধা সম্পৰ্কে বিজ্ঞাপন দি ভৰাই দিয়া হৈছে বাতৰিৰ কাকতৰ পৃষ্ঠা।

স্মাৰ্ট মিটাৰেৰে ভাৰতৰ হৰি-যদু-মধুকো স্মাৰ্ট কৰি তুলিব খোজা চৰকাৰে নানা মিঠা কথা কোৱাৰ সময়তে পোহৰলৈ আহিছে বিশ্বৰ স্মাৰ্ট দেশসমূহৰ 'স্মাৰ্ট মিটাৰ'ৰ অনেক 'ষ্টুপিড' কাহিনী।

গ্ৰেট ব্ৰিটেইনৰ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি ২০২৫ চনৰ ভিতৰত দেশখনৰ চৰকাৰে ৭৫ শতাংশ ঘৰক স্মাৰ্ট মিটাৰেৰে সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰি লৈছে। সম্প্ৰতি দেশখনত ৬০ শতাংশ ঘৰত স্মাৰ্ট মিটাৰ আছে যদিও বৃহৎসংখ্যক লোকে পুনৰ মেনুৱেল মিটাৰলৈ পৰিৱৰ্তন কৰিবলৈ আবেদন কৰিছে।

এক খবৰ অনুযায়ী ২০২৩ চনত গ্ৰেট ব্ৰিটেইনত বিদ্যুতৰ সম্পৰ্কীয় অভিযোগৰ পৰিমাণ ৮৪ শতাংশলৈ বৃদ্ধি পাইছিল। স্মাৰ্ট মিটাৰে যিমানেই নতুন নতুন অঞ্চলক সামৰি লৈছিল সিমানেই এনেধৰণৰ অভিযোগৰ পৰিমাণ বৃদ্ধি পাবলৈ লৈছিল বুলি মন্তব্য কৰিছে দেশখনৰ শক্তি বিভাগে। এনে অভিযোগসমূহৰ অধিকাংশই আছিল বিদ্যুৎ আৰু গেছৰ বিল সম্পৰ্কীয়। স্মাৰ্ট মিটাৰ সংযোগৰ লগে লগে এনাৰ্জি বিল অভাৱনীয় হাৰত বৃদ্ধি পাবলৈ লোৱাত গ্ৰাহসকলে শক্তি বিভাগৰ ওচৰত অভিযোগ দাখিল কৰিছিল যদিও সেই অভিযোগৰ সৰহসংখ্যকেই আজিও নিষ্পত্তি নোহোৱাত পৰিস্থিতি অধিক ভয়াবহ হৈ পৰাৰ আশংকাই দেখা দিছে। বিবিচি আৰু দ্য গাৰ্ডিয়ানত প্ৰকাশিত এক বাতৰি অনুযায়ী গ্ৰেট ব্ৰিটেইনত ৪০ লাখ স্মাৰ্ট মিটাৰে সঠিকভাৱে কাম কৰা নাই। ডিপাৰ্টমেণ্ট ফৰ এনাৰ্জি ছিকিউৰিটি এণ্ড নেট জিৰো চমুকৈ ডিইএছএনইজেদৰ মতে ২০২৩ চনৰ জুন পৰ্যন্ত প্ৰায় ২৭ লাখ স্মাৰ্ট মিটাৰে স্মাৰ্ট মুডত সঠিকভাৱে কাম কৰা নাছিল। পৰৱৰ্তী সময়ত এই সংখ্যা বৃদ্ধি পাই হৈছিলগৈ ৪০ লাখ। এই স্মাৰ্ট মিটাৰসমূহে সংযোগৰ প্ৰায় এবছৰ বা দুবছৰৰ ভিতৰত সঠিকভাৱে কাম কৰিবলৈ এৰি দিয়াত গ্ৰাহকসকলৰ এনাৰ্জি বিল হয় বেছিকৈ আহিবলৈ লৈছিল নহয় আন একাধিক সমস্যাই দেখা দিছিল।

ব্ৰিজেণ্ডৰ সমীপৰ লেংগিয়াডৰ বাসিন্দা ডায়েনা বৰেন। তেওঁৰ বয়স ৮৭ বছৰ। ভালদৰে কাম নকৰা স্মাৰ্ট মিটাৰটোৰ ভয়ত এই বয়সতো তেওঁ ঠাণ্ডাৰ দিনকেইটাত বৰফৰ দৰে চেঁচা কোঠা এটাতেই কটাই দিলে। এটা পৰ্টেবল হিটাৰ আৰু ইলেকট্ৰিক ব্লেংকেট এখনেৰেই তেওঁ সৰু কোঠাটোত গৰম অহালৈকে বাট চাই ৰৈছিল। ইমান কষ্ট কৰিও পিছে তেওঁ ৰক্ষা নাপালে। কিয়নো মাহৰ মূৰত এনাৰ্জি বিল আগতকৈয়ো বেছিকৈহে আহিছিল। বিদ্যুৎ আৰু গেছৰ সংযোগ কাটি দিয়াৰ ভয়তে তেওঁ সেই বিল পৰিশোধ কৰিলে। যিটো কোম্পানীৰ পৰা তেওঁ গেছ আৰু বিদ্যুতৰ সংযোগ লৈছিল সেই কোম্পানীটোৱে স্মাৰ্ট মিটাৰটোৱে সঠিকভাৱেই কাম কৰি থকা বুলি দাবী কৰি তেওঁক জনাইছিল যে পুৰণি মিটাৰ থকাৰ সময়তে দিবলৈ বাকী থকা বিলৰ বাবেহে বিল বেছিকৈ আহিছে। এই ঘটনাৰ পিছতো যেতিয়া পৰৱৰ্তী মাহত আকৌ বিল বেছিকৈয়ে আহিল তেতিয়া তেওঁ কোম্পানীটোক মিটাৰটো ঠিকেই আছে নে নাই সেয়া চেক কৰি চাবলৈ ক'লে। তেতিয়া কোম্পানীটোৱে ক'লে যে যদিহে মিটাৰটো চেক কৰি চাওতে কোনো বিজুতি ধৰা নপৰে তেন্তে তেওঁ ২০০ পাউণ্ড (ভাৰতীয় হিচাপত ২২ হাজাৰ টকা) জৰিমনা দিব লাগিব।

৭৫ বছৰীয়া ডায়েনা গ্ৰীণ। তেওঁ বাস কৰে ছাছেক্সত। ২০২২ চনৰ এপ্ৰিলত তেওঁ ব্ৰিটিছ গেছৰ পৰা স্মাৰ্ট মিটাৰ লগাইছিল। এপত চাওতে তেওঁ দেখিছিল যে প্ৰতি মাহে ৬০ পাউণ্ডৰ ওচৰা-ওচৰি এনাৰ্জি খৰছ হৈছে। কিন্তু ব্ৰিটিছ গেছে ১৬৯ পাউণ্ড অনাদায় হৈ থকা দেখুৱাইছিল। ইয়াৰ পিছত তেওঁ কাৰ্যালয়লৈ গৈ মেনুৱেল ৰিডিঙৰ অনুৰোধ জনাইছিল আৰু ৯৫ পাউণ্ড পৰিশোধ কৰিছিল। কিন্তু পুনৰ এপত বিলৰ পৰিমাণ বাঢ়ি আহিছিল আৰু ৬০০ পাউণ্ড অনাদায় হৈ থকা বুলি মেছেজ আহিছিল। ফলত ব্ৰিটিছ গেছৰ কাৰ্যালয়লৈ অসুস্থ দেহেৰেই তাতবাতি কাঢ়িবলৈ বাধ্য হৈ পৰিছিল ৭৫ বছৰীয়া মহিলাগৰাকী। এনেদৰে বিগত ৩-৪ বছৰত ইংলেণ্ডত স্মাৰ্ট মিটাৰে জ্বলা-কলা খুৱাই আহিছে অসংখ্যজনক। কেৱল ইংলেণ্ডেই নহয়, আমেৰিকা আৰু অষ্ট্ৰেলিয়াৰ দৰে উন্নত দেশতো স্মাৰ্ট মিটাৰে গ্ৰাহকসকলক বাৰুকৈয়ে জীয়াতু ভোগাইছে। এনে পৰিপ্ৰেক্ষিতত সেই দেশসমূহৰ চৰকাৰে নতুন নতুন ঠাইত স্মাৰ্ট মিটাৰৰ সংযোগ সাময়িকভাৱে স্থগিত ৰাখি দেখা দি অহা সমস্যাসমূহ নাইকিয়া কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। অষ্ট্ৰেলিয়াত প্ৰাইভেচি ভংগ হোৱাৰ অভিযোগতো বহু গ্ৰাহকে স্মাৰ্ট মিটাৰৰ পৰিৱৰ্তে পুনৰ মেনুৱেল মিটাৰ লগাবলৈ আৰম্ভ কৰা দেখা গৈছে। আমেৰিকাত স্মাৰ্ট মিটাৰৰ পৰা নিৰ্গত হোৱা ৰেডিঅ' ফ্ৰিকুৱেন্সি ৰেডিয়েশ্যন চমুকৈ আৰএফআৰক লৈ স্বাস্থ্য সচেতন লোকসকলে ইয়াৰ বিৰোধিতা কৰি আহিছে।

গ্ৰাহকৰ ইচ্ছা-অনিচ্ছাক সন্মান জনাই আমেৰিকাৰ দৰে দেশেও স্মাৰ্ট মিটাৰৰ ব্যৱহাৰ বাধ্যতামূলক কৰা নাই। দেশখনৰ ৭ খন ৰাজ্যই গ্ৰাহকসকলক স্মাৰ্ট মিটাৰৰ পৰিৱৰ্তে পুনৰ মেনুৱেল মিটাৰ ব্যৱহাৰৰ সুবিধা প্ৰদান কৰিছে। আনহাতে ২২ খন ৰাজ্যই গ্ৰাহকসকলৰ অভিযোগৰ ভিত্তিত মেনুৱেল মিটাৰ লগোৱাৰ অনুমতি দিয়াৰ ব্যৱস্থা কৰি আহিছে।

এনে পৰিপ্ৰেক্ষিতত ভাৰতৰ দৰে জনবহুল এখন দেশত সঠিক পৰিকল্পনা অবিহনেই তড়িৎ গতিৰে বিদ্যুতৰ গ্ৰাহকসকলক স্মাৰ্ট মিটাৰ ব্যৱহাৰ কৰিবলৈ বাধ্য কৰাতো কিমান গ্ৰহণযোগ্য সেই লৈ প্ৰশ্ন উত্থাপিত হৈছে। উল্লেখ্য যে ভাৰতত আজিও অধিকাংশ অঞ্চলত মোবাইল নেটৱৰ্ক ভালদৰে উপলব্ধ নহয়। আনহে নালাগে গুৱাহাটী মহানগৰীৰ বহু ঠাইত মোবাইল নেটৱৰ্কিঙৰ সমস্যাই গ্ৰাহকসকলক জীয়াতু ভোগাই আহিছে। তেনে পৰিপ্ৰেক্ষিতত ছিম কাৰ্ডৰ জৰিয়তে চলা স্মাৰ্ট মিটাৰ কিমান ফলপ্ৰসু হ'ব সেয়া সহজে অনুমেয়। বিশেষজ্ঞসকলেও মত প্ৰকাশ কৰিছে যে যদিহে স্মাৰ্ট মিটাৰত থকা ছিম কাৰ্ডখনে ভালদৰে নেটৱৰ্ক নাপায় তেন্তে বিলৰ ক্ষেত্ৰত হীনদেঢ়ি হোৱাৰ সম্ভাৱন অধিক বৃদ্ধি পায়। সেই হিচাপত অসমত স্মাৰ্ট মিটাৰৰ ব্যৱহাৰ কৰা গ্ৰাহকসকলৰ যিসকলে পূৰ্বৰ তুলনাত অধিক বিল ভৰিবলগীয়া সেইসকলৰ ক্ষেত্ৰত এনে হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

উল্লেখ্য যে স্মাৰ্ট মিটাৰ প্ৰথম ব্যৱহাৰ কৰা হৈছিল ইটালীত। দেশখনত ২০০০ চনতে স্মাৰ্ট মিটাৰৰ ব্যৱহাৰ আৰম্ভ হৈছিল। একেদৰে ডেনমাৰ্ক, ছুইজাৰলেণ্ডকে ধৰি প্ৰায়কেইখন স্কেণ্ডেনেভিয়ান দেশে স্মাৰ্ট মিটাৰ বহু আগৰে ব্যৱহাৰ কৰি আহিছে। এইসমূহ দেশত জনবসতি সেৰেঙা হোৱাৰ লগতে প্ৰযুক্তিৰ ক্ষেত্ৰতো আগবঢ়া আৰু নাগৰিকৰ প্ৰাইভেচিক লৈ শক্তিশালী আইন থকা বাবে স্মাৰ্ট মিটাৰৰ জৰিয়তে গ্ৰাহকসকল উপকৃত হৈছে। কিন্তু এইকেইখন দেশৰ বাদে বিশ্বৰ যিসমূহ দেশত হুৰমূৰকৈ কোনোধৰণৰ সু-পৰিকল্পনা অবিহনে স্মাৰ্ট মিটাৰৰ ব্যৱহাৰ বাধ্যতামূলক কৰা হৈছে সেই দেশসমূহৰ প্ৰায় আটাইকেইখনতে নাগৰিকসকলে জীয়াতু ভুগিবলগীয়া হৈছে।

## প্ৰতিবেদন বিচাৰিলে কেন্দ্ৰই, চন্দ্ৰবাবুৱে ৰাজনীতি কৰা বুলি দাবী জগনমোহনৰ

# তিৰুপতি মন্দিৰৰ প্ৰসাদতো দুৰ্নীতি! গৰু-গাহৰিৰ ছৰ্বিক লৈ উত্তাল দেশ

**ইণ্টাৰনেট ফিচাৰ্ছ, ২০ ছেপ্টেম্বৰঃ** অন্ধ্ৰপ্ৰদেশৰ প্ৰসিদ্ধ তিৰুপতি মন্দিৰৰ প্ৰসাদৰ লাড়ুৰ বাবে ব্যাকুল হৈ পৰে মন্দিৰ দৰ্শনাৰ্থী আৰু ভক্ত। কিন্তু প্ৰসাদৰ এই লাড়ুত ঘিউৰ লগতে মিহলোৱা হয় জন্তুৰ চৰ্বি আৰু মাছৰ তেল। শেহতীয়াকৈ গুজৰাটৰ এটা পৰীক্ষাগাৰে এই দাবীৰে এক প্ৰতিবেদন প্ৰকাশ কৰাৰ পিছতে অন্ধ্ৰ প্ৰদেশৰ লগতে সমগ্ৰ দেশতে সূচনা হৈছে তীব্ৰ বিতৰ্কৰ। বিশেষকৈ এই বিষয়ত ৰাজনৈতিক উত্তেজনাৰ সৃষ্টি কৰি অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডুৱে অভিযোগৰ আঙুলি টোঁৱাইছে ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জগন মোহন ৰেড্ডীলৈ। বুধবাৰে মুখ্যমন্ত্ৰী নাইডুৱে গুজৰাটৰ সেই পৰীক্ষাগাৰে প্ৰকাশ কৰা প্ৰতিবেদনৰ উদ্ধৃতি দি দাবী কৰে যে পবিত্ৰ তিৰুপতি মন্দিৰৰ প্ৰসাদ লাড়ুত ঘিউৰ লগতে জন্তুৰ চৰ্বি (গাহৰিৰ চৰ্বি) আৰু মাছৰ তেল ব্যৱহাৰ কৰিছিল পূৰ্বৰ জগন মোহন ৰেড্ডীৰ চৰকাৰে। হিন্দুৰ ধৰ্মীয় আৱেগত আঘাত হনা এনে কাৰ্যক এক 'মহাপাপ' আখ্যা দিয়ে নাইডুৱে। ইফালে চন্দ্ৰবাবু নেতৃত্বাধীন এনডিএ চৰকাৰৰ এই গুৰুতৰ অভিযোগ খাৰিজ কৰি এয়া 'বিভাজনকাৰী ৰাজনীতি'ৰ প্ৰয়াস বুলি দাবী কৰে প্ৰাক্তন মুখ্যমন্ত্ৰী ৰেড্ডী আৰু ৰাই এছ আৰ কংগ্ৰেছে। প্ৰণিধানযোগ্য যে, গুজৰাটৰ পশুধন পৰীক্ষাগাৰত বিখ্যাত শ্ৰী ভেংকটেশ্বৰ স্বামী মন্দিৰ পৰিচালনা কৰা তিৰুমালা তিৰুপতি দেৱস্থানম (টিটিডি)য়ে যোগান ধৰা ঘিউৰ নমুনাত 'পশুৰ চৰ্বি' আৰু মাছৰ তেল থকাৰ দাবী কৰা হৈছে। যোৱা ৯ জুলাইত লাড়ুত ব্যৱহাৰ কৰা ঘিউৰ নমুনা লৈ পৰীক্ষা কৰা হৈছিল পৰীক্ষাগাৰত আৰু পৰৱৰ্তী ১৬ জুলাইত পৰীক্ষাগাৰৰ প্ৰতিবেদন প্ৰকাশ পাইছিল। পূণ্যপীঠ তিৰুপতি মন্দিৰৰ প্ৰসাদৰ লাড়ুক লৈ সূত্ৰপাত ঘটা এই বিতৰ্কৰ মাজতে সমগ্ৰ ঘটনা সন্দৰ্ভত অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডুৰ পৰা সবিস্তাৰ প্ৰতিবেদন বিচাৰিছে কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাই। উল্লেখ্য যে, শেহতীয়াকৈ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডুৱে এক বিস্ফোৰক অভিযোগ উত্থাপন কৰি দাবী কৰিছিল যে তিৰুপতি ভেংকটেশ্বৰ মন্দিৰৰ প্ৰসাদত প্ৰদান কৰা লাড়ুত 'বিশুদ্ধ' ঘিউৰ লগতে জন্তুৰ চৰ্বি মিহলাই দিয়া হয়। গুজৰাটৰ চৰকাৰী পৰীক্ষাগাৰৰ জুলাই মাহৰ এক প্ৰতিবেদনৰ উদ্ধৃতি দি এই দাবী কৰিছিল অন্ধ্ৰৰ মুখ্যমন্ত্ৰীগৰাকীয়ে। চন্দ্ৰবাবুৰ এই দাবীৰ পিছতে সূত্ৰপাত ঘটে তীব্ৰ বিতৰ্কৰ। চন্দ্ৰবাবু আৰু তেওঁৰ উপ জনসেনা পাৰ্টিৰ মুৰব্বী পৱন কল্যানে এনে ঘটনাৰ বাবে জগনমোহন ৰেড্ডীৰ চৰকাৰলৈ অভিযোগৰ আঙুলি টোঁৱাইছে। চন্দ্ৰবাবু নাইডুৱে মন্দিৰৰ প্ৰসাদৰ লাড়ুত জগনমোহনে জন্তুৰ চৰ্বি মিহলাই 'সনাতন ধৰ্ম'ক অপমান কৰা বুলি অভিযোগ উত্থাপন কৰে। এই বিষয়ক লৈ ইতিমধ্যে ৰাজনৈতিক উত্তেজনাও বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বিজেপি, সহযোগী তেলেগু দেশম পাৰ্টি আৰু জনসেনা পাৰ্টিয়ে এই বিষয়ত আক্ৰমণ তীব্ৰতৰ কৰি তুলিছে। কেন্দ্ৰীয় মন্ত্ৰী সঞ্জয় বাণ্ডীয়ে এই ঘটনাক 'অক্ষমণীয় অপৰাধ' বুলি মন্তব্য কৰে। তেওঁ দাবী কৰে যে মন্দিৰৰ প্ৰসাদত দিয়া লাড়ুত জন্তুৰ চৰ্বি মিহলাই ধৰ্মীয় আৱেগক আঘাত কৰাৰ প্ৰয়াস কৰা হৈছে। ইফালে, ৰাজ্যিক বিজেপিৰ সাংসদ ভানু প্ৰকাশ ৰেড্ডী আৰু তিৰুমালা তিৰুপতি দেৱস্থানৰ ব'ৰ্ডৰ অন্যতম সদস্যই প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। প্ৰসাদৰ লাড়ুক লৈ বিজেপি আৰু সহযোগী দলে কৰি অহা অভিযোগৰ প্ৰত্যুত্তৰ দি ৰাজ্যখনৰ বান সমস্যাৰ প্ৰসংগ টানি আনিছে জগমোহন ৰেড্ডীৰ ৰাই এছ আৰ কংগ্ৰেছেও। তদুপৰি মন্দিৰৰ 'পবিত্ৰতা' ধ্বংস কৰাৰ বাবে চন্দ্ৰবাবুক দোষাৰোপ কৰে দলটোৰ সাংসদ ৰাই ভি চুব্বা ৰেড্ডীয়ে। প্ৰণিধানযোগ্য যে, তিৰুপতিৰ ভেংকটেশ্বৰ মন্দিৰত প্ৰসাদ হিচাপে এটা বিশেষ 'শ্ৰীবৰী লাড্ডু' ভক্তসকলক প্ৰদান কৰা হয়। তিৰুপতী মন্দিৰ পৰিচালনা আৰু ৰক্ষণাবেক্ষণৰ দায়িত্বত থকা তিৰুমালা তিৰুপতি দেৱস্থানম (টিটিডি) কৰ্তৃপক্ষই প্ৰতিদিনে বিশ্বৰ বিভিন্ন প্ৰান্তৰ ভক্তসকললৈও এই বিশেষ লাড়ু প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰে। যোৱা জানুৱাৰী মাহত অযোধ্যাত ৰাম মন্দিৰৰ উদ্বোধনী অনুষ্ঠানত 'বিশেষ প্ৰসাদ' হিচাপেও তিৰুপতি মন্দিৰৰ লাড়ু অনা হৈছিল। অন্যহাতে তিৰুমালা মন্দিৰৰ প্ৰসাদৰ লাড়ু বিতৰ্কৰ মাজতে হিন্দুৰ ধৰ্মীয় অনুভূতিত আঘাত হনাৰ দাবী কৰি উচ্চতম ন্যায়ালয়ৰ দাৰস্থ হৈছে এগৰাকী অধিবক্তা। হিন্দুৰ ধৰ্মীয় সুৰক্ষাৰ দাবীৰে সত্যম সিং নামৰ এগৰাকী অধিবক্তাই এই সমগ্ৰ ঘটনা সন্দৰ্ভত এখন পত্ৰ প্ৰেৰণ কৰিছে মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়লৈ।

# মুছলমান এলেকাক 'পাকিস্তান' আখ্যা! ন্যায়াধীশৰ বিৰুদ্ধে কঠোৰ উচ্চতম ন্যায়ালয়

**নতুন দিল্লী, ২০ ছেপ্টেম্বৰঃ** মুছলমান অধ্যুষিত অঞ্চল আৰু এগৰাকী মহিলা অধিবক্তা সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰা এগৰাকী ন্যায়াধীশৰ বাবে কঠোৰ স্থিতি গ্ৰহণ কৰিছে উচ্চতম ন্যায়ালয়ে। উল্লেখ্য যে, মালিক-ভাড়াতীয়াৰ এক গোচৰৰ শুনানিৰ সময়ত বাংগালুৰুৰ এটা মুছলমান অধ্যুষিত অঞ্চলক 'পাকিস্তান' বুলি অভিহিত কৰিছিল কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ বেদব্যাসসাৰ শ্ৰীসানন্দই। একে সময়তে গোচৰৰ পক্ষ লোৱা এগৰাকী মহিলা অধিবক্তাৰ সন্মুখত মহিলা জাতি সম্পৰ্কে অপমানজনক মন্তব্য কৰিছিল ন্যায়াধীশগৰাকীয়ে। ইয়াৰ পিছতে ইয়াৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰি কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ পৰা প্ৰতিবেদন বিচাৰে উচ্চতম ন্যায়ালয়ে। দেশৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত গঠিত উচ্চতম ন্যায়ালয়ৰ পাঁচজনীয়া বিচাৰপীঠে শুকুৰবাৰে কয় যে সাংবিধানিক আদালতত ন্যায়াধীশসকলৰ মন্তব্যৰ ক্ষেত্ৰত কঠোৰ নিৰ্দেশনা প্ৰস্তুত কৰাৰ প্ৰয়োজন আছে। উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠে কয় যে ছ'চিয়েল মিডিয়াই আদালতৰ কক্ষৰ কাম-কাজ নিৰীক্ষণ কৰি আছে। গতিকে আদালতত যিকোনো মন্তব্য কৰাৰ সময়ত বিনম্ৰতা বজাই ৰখা উচিত। উল্লেখ্য যে, উচ্চতম ন্যায়ালয়ৰ এই বিচাৰপীঠত আছে ন্যায়াধীশ এছ খান্না, ন্যায়াধীশ বি আৰ গাভাই, ন্যায়াধীশ এছ কান্ত আৰু ন্যায়াধীশ এইচ ৰয়। মুখ্য ন্যায়াধীশ চন্দ্ৰচূড়ে কয়, "কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ বেদব্যাসসাৰ শ্ৰীসানন্দৰ মন্তব্যৰ ওপৰত এতিয়া চৰ্চা চলি আছে। তেওঁৰ ভিডিঅ'টো ছ'চিয়েল মিডিয়া প্লেটফৰ্মত ভাইৰেল হৈ আছে। ন্যায়াধীশৰ মন্তব্যৰ ওপৰত এটা নিৰ্দিষ্ট গাইডলাইন প্ৰস্তুত কৰাটো প্ৰয়োজন। কৰ্ণাটক উচ্চ ন্যায়ালয়ে এই সন্দৰ্ভত দুদিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব লাগিব।" বুধবাৰে (২৫ ছেপ্টেম্বৰ) এই গোচৰৰ পৰৱৰ্তী শুনানি অনুষ্ঠিত হ'ব। ছ'চিয়েল মিডিয়াত ভাইৰেল হোৱা এটা ভিডিঅ'ত ন্যায়াধীশ শ্ৰীসানন্দই বাংগালুৰুৰ মুছলমান সংখ্যাগৰিষ্ঠ অঞ্চলটোক 'পাকিস্তান' বুলি অভিহিত কৰে। আন এটা ভিডিঅ'ত তেওঁ এগৰাকী মহিলা অধিবক্তাক লৈ আপত্তিজনক মন্তব্য কৰা দেখা গৈছে। খবৰ অনুসৰি ন্যায়াধীশগৰাকীয়ে মহিলা অধিবক্তাগৰাকীক কয় যে তেওঁ বিৰোধীৰ বিষয়ে ইমানেই জানে যে তেওঁলোকৰ অন্তৰ্বাসৰ ৰঙো ক'ব পাৰে। ন্যায়াধীশগৰাকীৰ এনে উগ্ৰ সাম্প্ৰদায়িক মন্তব্যই তুমুল প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল।

# ১৪০ কোটিৰ দুৰ্নীতি, অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ কাৰ্যালয়ত প্ৰতিবাদ

**ই-সংবাদ, ২০ ছেপ্টেম্বৰঃ** দুৰ্নীতিৰ বৰঘৰত পৰিণত হৈছে সৰুমটৰীয়াস্থিত অসম অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ কাৰ্যালয়। অনুসূচিত জাতিৰ উন্নয়নৰ পৰিৱৰ্তে কেইগৰাকীমান বিষয়া, ঠিকাদাৰৰ লুণ্ঠনৰ আড্ডাস্থলীত পৰিণত হৈছে। তাৰ মাজতে আজি প্ৰখৰ ৰদকো নেওচি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা কেইবা শতাধিক লোকে সৰুমটৰীয়াস্থিত অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ কাৰ্যালয় ঘেৰাও কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ নেতৃত্বত হাতে হাতে বেনাৰ-ফেষ্টুন লৈ অহা কেইবৈ শতাধিক লোকে কাৰ্যালয়টো ঘেৰাও কৰাত হঠাতে হুৰা-দুৰা লাগে। কাৰ্যালয়ৰ গেট বন্ধ কৰি বিভিন্ন শ্ল'গান দিবলৈ ধৰাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ জিন্দাবাদ, দুৰ্নীতি সম্ৰাটকসকলক গ্ৰেপ্তাৰ কৰক, লুণ্ঠন বন্ধ কৰক, ১০৪ কোটি টকীয়া দুৰ্নীতিৰ তদন্তৰ প্ৰতিবেদন ৰাজহুৱা কৰক, মগ-বাল্টি-কন্টেইনাৰ-চৌকা-প্ৰেচাৰ কুকাৰৰ নামত লুণ্ঠন নচলিব, ১০৪ কোটি টকীয়া দুৰ্নীতিত জড়িতক গ্ৰেপ্তাৰ কৰক, দুৰ্নীতিত জড়িতক চাকৰিৰ পৰা বৰ্খাস্ত কৰক, সুবৰ্ণময় দে, লিটন মিত্ৰৰ কব্জাৰ পৰা সঞ্চালকালয়ৰ কাৰ্যালয়ক মুক্ত কৰক, দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰ নুপুৰ শ্বাহক গ্ৰেপ্তাৰ কৰক, টিভি আৰু পাকঘৰৰ সামগ্ৰী দিয়াৰ নামত দুৰ্নীতি নচলিব, ৬০০ টকাত পোৱা প্ৰেচাৰ কুকাৰ ২৭০০ টকাত কিনিলে কোনে জবাব দিয়ক, ৫ হাজাৰ টকাৰ টিভি ২৫ হাজাৰ টকাত কিনিলে কোনে জবাব দিয়ক, প্ৰধানমন্ত্ৰী-আয়োগৰ নিৰ্দেশ পালন কৰক আদি শ্লগান দি পৰিবেশ উত্তাল কৰাৰ সময়তে দিছপুৰ আৰক্ষী উপস্থিত হৈ প্ৰতিবাদকাৰীক আতৰোৱাৰ প্ৰয়াস কৰে। কিন্তু প্ৰতিবাদকাৰীসকলে আৰক্ষীৰ বাধা নেওচি সজোৰে শ্ল'গান দি প্ৰতিবাদ কৰি যায়। প্ৰায় ডেৰঘণ্টা সময় কাৰ্যালয়টো বন্ধ হৈ পৰাৰ লগতে আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ প্ৰয়াস কৰে। প্ৰায় ডেৰ ঘণ্টাৰ অন্তত অনুসূচিত জাতি কল্যাণৰ সঞ্চালক কুলশ্ৰী নাথে প্ৰতিবাদকাৰীৰ সন্মুখলৈ ওলাই আহিবলৈ বাধ্য হয়। তেনে সময়তে প্ৰতিবাদকাৰীসকলে নান প্ৰশ্ন কৰি ব্যতিব্যস্ত কৰে প্ৰতিবাদকাৰীসকলে। ১৪০ কোটি টকীয়া দুৰ্নীতিৰ কথা জনাৰ পিছতো কিয় ঠিকাদাৰক ধন মুকলি কৰি দিয়া হ'ল সেই প্ৰশ্ন কৰাত মৌন হৈ ৰয় সঞ্চালিকা কুলশ্ৰী নাথ। অনুসূচিত জাতিৰ ভুৱা জাতিগত প্ৰমাণপত্ৰ লৈ চাকৰি কৰি থকাসকলৰ বিৰুদ্ধে কি ব্যৱস্থা লৈথে সঞ্চালকে বুলি প্ৰতিবাদকাৰীয়ে সোধা প্ৰশ্নৰো উত্তৰ দিব নোৱাৰিলে কুলশ্ৰী নাথে। প্ৰতিবাদকাৰীসকল পুনৰ উত্তেজিত হৈ পৰে যদিও উপস্থিত আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। তাৰ পাছতে সঞ্চালিকাগৰাকীৰ জড়িয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰক পত্ৰ প্ৰদান কৰে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে। স্মাৰক পত্ৰত যোগে অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত সংঘটিত দুৰ্নীতিৰ তদন্ত অসৰৰপ্ৰাপ্ত ন্যায়াধীশৰ দ্বাৰা কৰিবলৈ দাবী উত্থাপন কৰে। উল্লেখ্য যে, অসম অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত প্ৰায় ১৪০ কোটি টকীয়া দুৰ্নীতিক লৈ ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি হোৱা প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু ৰাষ্ট্ৰীয় অনুসূচিত জাতি আয়োগক অভিযোগ দিছিল অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ অসমে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু ৰাষ্ট্ৰীয় অনুসূচিত জাতি আয়োগে বিষয়টোক গুৰুত্বসহকাৰে লৈ তদন্ত কৰিবলৈ নিৰ্দেশ দিছিল ৰাজ্যৰ মুখ্য সচিবক। কিন্তু নিৰ্দেশ অনুযায়ী তদন্ত কৰাৰ হোৱা নাই বুলি অভিযোগ আনিছে সংগঠনটোৱে। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাস আৰু সাধাৰণ সম্পাদক লক্ষ্যজ্যোতি হাজৰিকাই জানিবলৈ দিয়া মতে, অনুসূচিত জাতি কল্যাণ সঞ্চালকালয় আৰু সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ দ্বাৰা ৰাজ্যৰ দৰিদ্ৰ অনুসূচিত জাতিৰ লোকৰ বাবে এক আঁচনি ৰূপায়ন কৰা হৈছিল। আঁচনি যোগে গৰীৱ পৰিয়ালক একোটাকৈ টিভি, টিভি থবলৈ প্লাষ্টিকৰ টেবুল, দুখন চকী, আৰু পাকঘৰৰ সামগ্ৰী বিতৰণ কৰাৰ কথা আছিল। কিন্তু এই আঁচনিত ব্যাপক দুৰ্নীতি সংঘটিত হয়। মুখ্যমন্ত্ৰীক প্ৰদান কৰা স্মাৰকত এই দুৰ্নীতিৰ তদন্ত কৰিবলৈ অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ নেতৃত্বত তদন্ত সমিতি গঠন কৰিবলৈ আপোনাক পুনৰ আহ্বান জনাইছে সংগঠনটোৱে। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাস কয় "ৰাজ্য চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ দ্বাৰা অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ে এই আঁচনি যুগুত কৰিছিল। ঠিকা লাভ কৰিছিল ঠিকাদাৰ নুপুৰ শ্বাহে। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ে নিবিদাৰ শেষত ঠিকাদাৰক ধন মুকলি কৰি দিয়াত কিছু হিতাধিকাৰীক টিভিৰ সৈতে একোখন প্লাষ্টিকৰ টেবুল আৰু সেই টিভি বহি চাবলৈ দুখনকৈ প্লাষ্টিকৰ চকী প্ৰদান কৰা হৈছে। প্লাষ্টিকৰ চকীসমূহ ইমানে পাতল যে মানুহে বহিবই নোৱাৰে। টেবুলখনৰো অৱস্থা একেই। পাকঘৰৰ সামগ্ৰীসমূহ যেনে প্লাষ্টিকৰ মগ, বাল্টি, প্লাষ্টিকৰ কন্টেইনাৰ, গেছৰ চৌকা, প্ৰেচাৰ কুকাৰ আদি প্ৰদান কৰা হৈছে। টিভিসমূহো ব্ৰেণ্ডেড নহয় আৰু অত্যন্ত কম দামৰ। বজাৰত ৬০০ টকাত লাভ কৰা প্ৰেচাৰ কুকাৰ কিনি ২৭০০ টকা দেখুৱাইছে। এই সামগ্ৰীসমূহ নিম্ন মানদণ্ডৰ আৰু ব্যৱহাৰৰ অনুপযোগী। এই অভিযোগ উত্থাপন কৰি সঞ্চালিকা কুলশ্ৰী নাথক চাকৰিৰ পৰা নিলম্বন কৰাৰ লগতে শীঘ্ৰে দুৰ্নীতিত অভিযুক্ত সকলোকে গ্ৰেপ্তাৰ কৰি চাকৰিৰ পৰা বৰ্খাস্ত কৰি নিবিদামতে নিৰ্ধাৰণ কৰা টকাৰ বিপৰীতে হিতাধিকাৰীক সামগ্ৰী প্ৰদানৰ দাবী জনাইছে সঞ্জীৱ দাসে। অসম অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে মুখ্যমন্ত্ৰীক প্ৰদান কৰা স্মাৰকত আন কেইবাটাও দাবী উত্থাপন কৰিছে। অসমৰ অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ কাৰ্যালয়ৰ ষ্টেনোগ্ৰাফাৰ সুবৰ্ণময় দেয়ে প্ৰায় ২৫ বছৰ ধৰি চাকৰি কৰি আছে। ২৫ বছৰ ধৰি সঞ্চালকালয়ৰ কাৰ্যালয়টো নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰি লুণ্ঠন চলাইছে সুবৰ্ণময় দেয়ে। আঁচনিৰ ধন লুটি আজি কোটি কোটি ঘটিছে সুবৰ্ণময় দেয়ে। নিবিদাৰ নিয়ন্ত্ৰণ তেওঁৰ হাতত। ঠিকাদাৰ তেওঁৰ হাতত। সমস্ত কাৰ্যালয় তেওঁৰ কব্জাত। এই কাৰ্যালয়টোৰ পৰা অনুসূচিত জাতিৰ পৰিৱৰ্তে সুবৰ্ণময় দে'ৰহে উন্নতি হোৱা দেখা গৈছে। তেওঁ আজি প্ৰায় ৫০ কোটি টকাৰ সম্পত্তিৰগৰাকী বুলি চৰ্চা চলিছে। গুৱাহাটীত মাটি, কেইবা মহলীয়া অট্টালিকা নিৰ্মাণ কৰাৰ লগতে কেইবাঠাইত বিলাসী ফ্লেট ক্ৰয় কৰিছে। সংগঠনটোৱে শীঘ্ৰে কেন্দ্ৰীয় তদন্তকাৰী সংস্থা, আয়কৰ বিভাগ, নাইবা অসম চৰকাৰৰ চিআইডিৰ দ্বাৰা দেৰ সম্পত্তিৰ ওপৰত তদন্তৰ নিৰ্দেশ দিবলৈ আহ্বান জনাইছে। ষ্টেনোগ্ৰাফাৰ সুবৰ্ণময় দে'ৰ সৈতে লুণ্ঠনৰ সহযোগী হৈছে প্লানিং অফিচাৰ লিটন মিত্ৰ। ৮ বছৰে প্লানিং অফিচাৰৰ চকীত বহি থকা লিটন মিত্ৰক বদলি কৰা হৈছিল যদিও ন্যায়ালয়ৰ কাষ চাপি পিতৃৰ ৰোগৰ অচিলাৰে বদলি স্থগিত কৰিছিল। প্ৰকৃততে পিতৃৰ ৰোগ এক অজুহাততহে আছিল। উদ্দেশ্যে হৈছে কাৰ্যালয়টোত লুণ্ঠনৰাজ চলোৱা। একেটা কাৰ্যালয়ত একেখন চকীতে বহি লিটন মিত্ৰ আৰু সুবৰ্ণময় দে'ই সহজ-সৰল অনুসূচিত জাতিৰ লোকৰ উন্নয়নৰ বাবে অহা কোটি কোটি টকাৰ লুটৰাজ চলাই গৈছে বুলি উল্লেখ কৰিছে দাসে। আনহাতে, অনুসূচিত জাতিৰ কল্যাণ সঞ্চালকালয়ে ৰূপায়ন কৰা আঁচনিসমূহৰ ঠিকা অনুসূচিত জাতিৰ লোকক দিয়াৰ ব্যৱস্থা কৰাৰো দাবী জনায়। সৰুপথাৰৰ চাংপুল, নগাঁও জিলাৰ দৰ্শন ফিল্ড আৰু বঢ়মপুৰত মিনি ষ্টেডিয়ামসমূহ ৪০ শতাংশ অনুসূচিত জাতিৰ লোক বসতি কৰা এলেকাত নিৰ্মাণ কৰিবলৈ দাবী জনায়। কেন্দ্ৰীয় চৰকাৰে ২০১৬-২০২৩ বৰ্ষলৈ অনুসূচিত জাতিৰ শিক্ষিত নিবনুৱাক দক্ষতা বিকাশৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰশিক্ষণ লাভ নকৰিলে। দুষ্ট চক্ৰই কোটি কোটি টকা ভুৱা তথ্যৰে সৰকাই নিয়ে। এই দুৰ্নীতিৰ বিৰুদ্ধে চিবিআই তদন্ত ঘোষণা কৰাৰ দাবী জনাই সংগঠনটোৱে। সৰুপথাৰৰ চাংপুল, নগাঁও জিলাৰ দৰ্শন ফিল্ড আৰু বঢ়মপুৰত মিনি ষ্টেডিয়ামসমূহ ৪০ শতাংশ অনুসূচিত জাতিৰ লোক বসতি কৰা এলেকাত নিৰ্মাণ কৰিবলৈ দাবী জনায়। অনুসূচিত জাতি-জনজাতিৰ বিষয়াসকলক জ্যেষ্ঠতাৰ ভিত্তিত পদোন্নতি কৰাৰো দাবী জনায়। দাবীসমূহ মানি নল'লে অহা ৫ নৱেম্বৰত অসমত আৰু ৩০ নৱেম্বৰত দিল্লীৰ যন্তৰ-মন্তৰত আন্দোলন কৰাৰ হুংকাৰ প্ৰদান কৰে সংগঠনটোৱে।

**প্ৰথম পৃষ্ঠাৰ পৰা...**

# কচুতলীৰ উচ্ছেদ স্থগিত

প্ৰদান কৰিছে৷ শুকুৰবাৰে অনুষ্ঠিত শুনানিত উচ্ছেদ স্থগিত ৰখাৰ বিশেষ নিৰ্দেশ প্ৰদান কৰিছে গুৱাহাটী উচ্চ ন্যায়ালয়ে৷ সোণাপুৰ কচুতলিত ৯ ছেপ্টেম্বৰৰ পৰা উচ্ছেদ অভিযান চলিছিল৷ ১২ ছেপ্টেম্বৰত উচ্ছেদ চলাই থকাৰ সময়ত আৰক্ষী আৰু বেদখলকাৰীৰ মাজত লগা সংঘৰ্ষত দুজন স্থানীয় লোক নিহত হোৱাৰ লগতে প্ৰায় ২৩গৰাকী আৰক্ষীৰ লোক গুৰুতৰভাৱে আহত হৈছিল৷ এগৰাকী কিশোৰীৰ গুপ্তাংগত গুলী লগাৰ অভিযোগ উত্থাপন হৈছিল৷ দুগৰাকী লোকে প্ৰাণ হেৰুওৱাত চৰকাৰে সাময়িকভাৱে উচ্ছেদ অভিযান বন্ধ ৰাখিছিল যদিও সোণাপুৰৰ ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ ভূমি দখল কৰি থকা আন কেইবাটাও এলেকাত বসতিকৰি থকা লোকসকলক ঘৰ খালী কৰিবলৈ জাননী জাৰি কৰিছিল৷ সময় দিছিল তিনিদিন৷ তাৰ পাছতে ৫৫টা উচ্ছেদিত পৰিয়ালৰ হৈ বৃহস্পতিবাৰে এজন অধিবক্তাই গুৱাহাটী উচ্চ ন্যায়ালয়ত দুখন লেখ আবেদন দাখিল কৰিছিল৷ গুৱাহাটী উচ্চ ন্যায়ালয়ে তৎক্ষণাত শুকুৰবাৰে শুনানি অনুষ্ঠিত কৰি উচ্ছেদ বন্ধ ৰাখিবলৈ নিৰ্দেশ প্ৰদান কৰিছে৷ আদালতত তীব্ৰ ভৎসৰ্নাৰ সন্মুখীন হয় অসম চৰকাৰ। নতুনকৈ উচ্ছেদৰ বাবে জাৰি কৰা জাননীখনক প্ৰত্যাহ্বান জনাই ৫৫টা পৰিয়ালে গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা আৰ্জিৰ হৈ অধিবক্তা এ আৰ ভূঞাই যুক্তি প্ৰদৰ্শন কৰে৷ নিৰ্দেশ সন্দৰ্ভত অধিবক্তা এ আৰ ভূঞাই কয় যে কামৰূপ মহানগৰ জিলা উপায়ুক্তৰ অধিনৰ সোণাপুৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ে যিখন উচ্ছেদৰ জাননী জাৰি কৰিছিল সেইখনক প্ৰত্যাহ্বান জনাই আদালতত লেখ আবেদন দাখিল কৰা হৈছিল আৰু উক্ত আবেদনৰ আজি শুনানি আছিল৷ শুনানিকালত জাননীখন আইন অনুসৰি জাৰি কৰা হোৱা নাছিল বুলি কামৰূপ মহানগৰ জিলা উপায়ুক্তক তীব্ৰ সমালোচনা কৰে আদালতে। কামৰূপ মহানগৰ জিলা উপায়ুক্তই কোনো জৰীপ নকৰাকৈ জাননী জাৰি কৰা বুলি আদালতে সমালোচনা কৰে। আদালতে আবেদনকাৰীক নথিসমূহ ১৩ অক্টোবৰৰ ভিতৰত কামৰূপ মহানগৰ জিলা উপায়ুক্তক জমা দিয়াৰ নিৰ্দেশ দিয়ে। জিলা উপায়ুক্তই নথিসমূহ পৰীক্ষা কৰি আবেদনকাৰী পৰিয়ালসমূহৰ এটা এটাকৈ ভাষ্য গ্ৰহণ কৰাৰ বাবে নিৰ্দেশ দিয়ে আদালতে। জিলা উপায়ুক্তই নথি পৰক্ষা কৰি চোৱাৰ পাছতে উচ্ছেদক লৈ সিদ্ধান্ত ল'ব পাৰিব৷ উল্লেখ্য যে, ১২ ছেপ্টেম্বৰত সোণাপুৰ ৰাজহ চক্ৰৰ কচুতলি অঞ্চল ৰণক্ষেত্ৰত পৰিণত হৈছিল। উচ্ছেদিত আৰু আৰক্ষীৰ সংঘৰ্ষৰ সময়ত আৰক্ষীয়ে গুলীচালনা কৰাত দুজনকৈ লোক নিহত হয়৷ প্ৰশাসনে উচ্ছেদ সাময়িকভাৱে স্থগিত ৰাখিছে যদিও ১৩ ছেপ্টেম্বৰত প্ৰশাসনে কচুতলিৰ ট্ৰাইবেল বেল্ট আৰু ব্লকত বসবাস কৰি থকা লোকসকলক তিনিদিনৰ ভিতৰত ঘৰ খালী কৰিবলৈ নিৰ্দেশ দিছিল৷

**প্ৰথম পৃষ্ঠাৰ পৰা...**

# গিবনৰ হৈ মাত মাতিলে

অভয়াৰণ্যত বেদান্ত কোম্পানীৰ জৰিয়তে তেল আৰু প্ৰাকৃতিক গেছ খনন কৰা হ'ব। এই খবৰ লাভ কৰি স্তম্ভিত ৰাজ্যবাসী। বিভিন্ন দল-সংগঠন প্ৰতিবাদ আৰম্ভ কৰিছে। বৃহস্পতিবাৰে মৰিয়নীত দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছতে আজি দল-সংগঠনৰ নেতাক আক্ৰমণৰ লক্ষ্য কৰি লয় স্থানীয় বিজেপি বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে দল-সংগঠনৰ নেতাক কেমেৰাৰ সন্মুখতে প্ৰহাৰৰ ভাবুকি প্ৰদান কৰিছে। নীতি বহিৰ্ভূতভাৱে গিবনত বেদান্ত কোম্পানীক খননৰ অনুমতি দিয়া নাই বুলি দাবী কৰি কুৰ্মীয়ে কয় "প্ৰথমে গিবনত ফুলৰ পুলি এটা ৰোপন কৰক। তাৰ পিছত গিবনক লৈ ৰাজনীতি কৰিব।" সাংবাদিককে মুখামুখি হৈ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে প্ৰতিবাদকাৰীক উদ্দেশ্যে কয় যে ৰূপজ্যোতি কুৰ্মীৰ নোম এডালো ছিগিব নোৱাৰে। কোনোবাই যদি মাৰিবলৈ আহে একে ঘোঁচাই নাক-মুখ ভাঙি দিম, ছেপ বদলাই দিম। লাগি লাভ নাই। গিবন আমাৰ হৃদয়ত। গিবনৰ গছপুলি উভালিৰ আগতে আমাৰ ঘৰৰ খুঁটা ভাঙিব লাগিব। উল্লেখ্য যে, ৰোহিত চৌধুৰী নামৰ আৰটিআই কৰ্মীয়ে আবেদন কৰা আৰটিআইত গিবন অভয়াৰণ্যত বেদান্ত কোম্পানীক তেল আৰু প্ৰাকৃতিক গেছ খনন কৰিব দিয়াৰ তথ্য ওলাই পৰিছে। আৰটিআই কৰ্মী ৰোহিত চৌধুৰীকো আক্ৰমণৰ লক্ষ্য কৰি লয় কুৰ্মীয়ে। কুৰ্মীয়ে কয় যে ৰোহিত চৌধুৰী নামৰ আৰটিআই কৰ্মীজনক মই কমিচন কৰ্মী বুলিহে কও। আৰটিআই কৰি বিভিন্ন কোম্পানীক ভয়-ভাবুকি দিয়ে। আৰটিআই কৰ্মী ৰোহিত চৌধুৰীয়ে গিবনৰ ইকো ছেনচিটিভ জোনকলৈ যি তথ্য দিছে সেয়া অসত্য বুলি দাবী কৰি বিধায়কগৰাকীয়ে কয় যে ২০১৮ চনৰ ৭ মে'ত ড্ৰাফ্ট নটিফিকেচন ওলাইছিল। তাত উল্লেখ আছিল যে গিবনত সকলো ধৰণৰ খনন কৰিব নোৱাৰিব। কি কি কাম কৰিব নোৱাৰিব ড্ৰাফ্টত যোগে উল্লেখ কৰিছিল। ব্যৱসায়িক ভিত্তিত খনন হ'ব নোৱাৰে। ব্যৱসায়িক প্ৰতিষ্ঠান, ইটাভাটা হ'ব নোৱাৰেছে। ৬০ দিনৰ ভিতৰত জনসাধাৰণৰ ওজৰ-আপত্তি উত্থাপন কৰিব পাৰিব। ৬০ দিনত একো ওজৰ-আপত্তি নজনালে। ১৬ মাহৰ পিছত চূড়ান্ত নটিফিকেচন ওলাইছে। চূড়ান্ত নটিফিকেচনত পূৰ্বৰ নিৰ্দেশাৱলীয়েই বাহাল আছে। এদিন গছপুলি ৰোপন নকৰা প্ৰকৃতিপ্ৰেমীয়ে আন্দোলন কৰিবলৈ আহিছে। ট্ৰেডিং কেলেংকাৰীক খনন কাৰ্যৰ অনুমতিৰ সৈতে ৰিজাই কুৰ্মীয়ে আৰু কয় যে ট্ৰেডিঙত শাসকীয় দলত জড়িত কৰিব নোৱাৰিলে। ৰাইজৰ দলৰ নেতা, শুভাকাংক্ষীসকলৰ নাম সাঙোৰ খাই পৰাত এতিয়া সেয়া ঢাকিবলৈ প্ৰতিবাদ আৰম্ভ কৰিছে বুলিও কুৰ্মীয়ে কয়।

**প্ৰথম পৃষ্ঠাৰ পৰা...**

# ৮০ টকা! পিঁয়াজ-কণী

লৈ এতিয়াৰ ৰাজনৈতিক নেতাই ৰাজনীতি নকৰে। শাসক আৰু বিৰোধী দলে নিজ নিজ দলীয় সমৰ্থককে ভালপোৱা কামহে কৰে। শাসকীয় বিজেপি দলে সমৰ্থকসকলক হিন্দু-মুছলমান-মিঞাৰ ৰাজনীতিত বন্দী কৰিছে। বিৰোধীয়ে তেনে ৰাজনীতিৰ ছত্ৰছায়াতে বন্দী হ'বলৈ বাধ্য হৈছে। কিন্তু জনতাৰ মৌলিক সমস্যাক গৌণ কৰি ৰখা হৈছে। জনতাৰ মুখ্য সমস্যা সমাধান কৰাটো দূৰৰে কথা, চৰ্চা পৰ্যন্ত কৰা নহয়। ফলত অসমত মূল্যবৃদ্ধিৰ জুইয়ে জ্বলাই মাৰিছে সাধাৰণ জনতাক। মানুহে ঘৰ চলাব নোৱাৰা হৈছে। খাটিখোৱা, দৰিদ্ৰই ঘৰৰ চৌকা জ্বলাব নোৱাৰা হৈছে। সাধাৰণ মানুহে বজাৰলৈ গৈ নিত্য ব্যৱহাৰ্য সামগ্ৰী ক্ৰয় কৰিব পৰা ক্ষমতা হেৰুৱাই পেলাইছে। নাগৰিকে এতিয়া বজাৰত সোমাব নোৱাৰ হৈছে। বজাৰলৈ গ'লেও দাম শুনি মুখ শুকাই গুছি আহিবলগীয়া পৰিবেশৰ সূচনা হৈছে। আনহে নালাগে আজি অসমৰ মানুহে পিঁয়াজ ক্ৰয় কৰি খাব নোৱাৰা হৈছে। প্ৰতিবিধ নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ দৰেই পিঁয়াজৰ দাম ব্যাপক হাৰত বৃদ্ধি হৈছে। শুকুৰবাৰে সন্ধিয়ালৈকে গুৱাহাটীৰ বজাৰত প্ৰতিকিলো পিঁয়াজ সত্তৰৰ পৰা আশী টকাকৈ বিক্ৰী হৈছে। গণেশগুৰি, হাতীগাঁৱৰ বজাৰত পিঁয়াজ বিক্ৰী হৈছে ৭০ৰৰ পৰা ৮০ টকাকৈ। কণীৰো দাম দ্ৰুতগতিত বৃদ্ধি হৈছে। প্ৰতিপ্লেট কণীৰ দাম ৪০ টকাকৈ বৃদ্ধি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভবেশৰ বিৰুদ্ধে কংগ্ৰেছৰ এজাহাৰ

হিতাধিকাৰীৰ বিজেপিৰ সদস্য ভৰ্তিৰ চাৰ্টিফিকেট থকাটো বাধ্যতামূলক বুলি বিজেপিৰ সভাপতি ভবেশ কলিতাই ভাষণত উল্লেখ কৰা বুলি অভিযোগ আনি প্ৰদেশ কংগ্ৰেছৰ নেতা ৰাতুল কলিতাই এজাহাৰ দাখিল কৰিছে। কংগ্ৰেছ নেতা ৰাতুল কলিতাই মহানগৰীৰ ভঙাগড় আৰক্ষী থানাত আজি এজাহাৰ দাখিল কৰে। জানিব পৰা মতে, বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই কালি ৰঙিয়াত অৰুণোদয়ৰ ৩.০ৰ আঁচনি উদ্বোধনৰ সময়ত অৰুণোদয় আঁচনিৰ ধন পাব লাগিলে বিজেপিৰ সদস্য হোৱাটো বাধ্যতামূলক বুলি কোৱা বুলি অভিযেগা আনে কংগ্ৰেছে। সেই মন্তব্যক সংবিধান আৰু গণতন্ত্ৰ বিৰোধী আখ্যা দি প্ৰদেশ কংগ্ৰেছে এজাহাৰ দাখিল কৰিছে। এজাহাৰ দাখিলৰ অন্তত ৰাতুল কলিতাই সাংবাদিকৰে মুখামুখি হৈ কয় য ভবেশ কলিতাই মানসিক ভাৰসাম্য হেৰুৱাইছে। যাৰ বাবে প্ৰলোভনৰ ৰাজনীতিৰ আশ্ৰয় লৈছে। ৰঙিয়াৰ দীপ্তেশ্বৰীত অনুষ্ঠিত বিজেপিৰ এখন ৰাজহুৱা সভাত ভবেশ কলিতাই ভাষণ প্ৰদান কৰি মহিলাক ধমক আৰু প্ৰলোভন দিছে। বিজেপি সদস্যভৰ্তিৰ বাবে জাৰি কৰা বিশেষ নম্বৰটোত মিছকল দিয়াটো বাধ্যতামূলক আৰু মিছকল দিয়াৰ ফলত যিখন চাৰ্টিফিকেট লাভ কৰিব সেই চাৰ্টিফিকেটখন অৰুণোদয় আঁচনিৰ বাবে মেণ্ডেটৰি। অৰ্থাৎ যিয়ে বিজেপিৰ সদস্য আৰু যাৰ বিজেপিৰ সদস্য হোৱাৰ চাৰ্টিফিকেট আছে তেওঁহে অৰুণোদয় আঁচনিৰ ১২৫০ টকা লাভ কৰিব। ৰাতুল কলিতাই এয়া সংবিধান বিৰোধী বুলি কৈ আৰু কয় যে ১২৫০ টকা ভবেশ কলিতাৰ পিতৃৰ পৈতৃক সম্পত্তিৰ পৰা দিয়া নাই। বা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পিতৃৰ সম্পত্তি বিক্ৰী কৰি এই ধন দিয়া নাই। বা মুখ্যমন্ত্ৰীৰ পত্নীয়ে দুইনম্বৰী কৰি ঘটা মাটি বিক্ৰী কৰি অৰুণোদয় আঁচনিৰ ধন দিয়া নাই। অৰুণোদয় আঁচনিৰ ধন হৈছে ৰাইজৰ। ৰাইজৰ ধন ৰাইজে পাব। কিন্তু ৰাইজৰ অধিকাৰ খৰ্ব কৰি ভবেশ কলিতাই ধমক দিয়া কাৰ্য গণতন্ত্ৰ বিৰোধী আৰু সংবিধান বিৰোধী। লগতে অনাগত দিনত এনে কাম নকৰিবলৈ ভবেশ কলিতাক সকীয়াই দি ৰাতুল কলিতাই কয় যে ৰন্ধনগেছ ১০০০ টকা হৈছে, মিঠাতেলৰ কিলো দুশ টকা হৈছে। সেইবোৰকহে গুৰুত্ব দিব লাগে। পিঁয়াজৰ দাম ৮০ টকা, আলুৰ দাম ৫০ টকা হোৱাত গৃহিনীসকল পাকঘৰত সোমাব পৰা নাই। ভবেশ কলিতাই যিখিনি মহিলাক বিজেপিৰ সদস্য হ'বলৈ ধমক দিছে সেইখিনি মহিলাই পাকঘৰত সোমাব পৰা নাই বুলিও কয় ৰাতুল কলিতাই। উল্লেখ্য যে লোকসভা নিৰ্বাচনৰ সময়তো বিজেপিৰ বিৰুদ্ধে এনে অভিযোগ উত্থাপিত হৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজুলী ভৱন ঘেৰাও বিৰোধীৰ

প্ৰান্তে প্ৰান্তে আন্দোলন অব্যাহত আছে যদিও চৰকাৰে সেয়া গুৰুত্বসহকাৰে লোৱা নাই। চৰকাৰৰ এনে জনবিৰোধী কাৰ্যৰ পৰিপ্ৰেক্ষিতত আজি স্মাৰ্ট মিটাৰৰ জৰিয়তে অসমৰ ৰাইজক লুণ্ঠন চলোৱা বিজেপি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে বিৰোধী ঐক্য মঞ্চৰ ১৮ টাকৈ ৰাজনৈতিক দলে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভুপেন কুমাৰ বৰা, সাংসদ অজিত কুমাৰ ভূঞা, বিৰোধী দলপতি দেবব্ৰত শইকীয়া, অসম জাতীয় পৰিষদৰ লুৰীণজ্যোতি গগৈ, বিধায়ক ভাস্কৰ বৰুৱা, নন্দিতা দাস, নুৰুল হুদা প্ৰমুখ্যে বিৰোধী দলসমূহৰ নেতাসকলে আজি পল্টনবজাৰস্থিত বিজুলী ভৱন ঘেৰাও কৰে। কংগ্ৰেছ, জাতীয় পৰিষদৰ লগতে চিপিআই, চিপিএম, অসম জাতীয় দল, তৃণমূল কংগ্ৰেছকে আদি কৰি বিৰোধী দলসমূহৰ কেইবাহাজাৰ নেতা-কৰ্মী তথা সমৰ্থকসকলে হাতে হাতে বেনাৰ-ফেষ্টুন, প্লে-কাৰ্ড আদি লৈ স্মাৰ্ট মিটাৰৰ জৰিয়তে ৰাইজক কৰা শোষণ বন্ধ কৰক, স্মাৰ্ট মিটাৰ বাতিল কৰক, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, শক্তিমন্ত্ৰী নন্দিতা গাৰ্লোছাই পদত্যাগ কৰক, চৰকাৰৰ গণবিৰোধী নীতি হায়ঃ হায়ঃ আদি শ্ল'গান দি ৰাজপথ উত্তাল কৰি তোলে। কেইবা ঘণ্টা ধৰি চলা এই কাৰ্যসূচীত আৰক্ষী প্ৰশাসনে তীব্ৰ বাধা দিয়ে যদিও বিৰোধী ঐক্য মঞ্চৰ নেতৃত্বই পিছুৱাই নাহি বিজুলী ভৱনত উপস্থিত হৈ অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ অধ্যক্ষক স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰক পত্ৰযোগে বিৰোধী ঐক্য মঞ্চৰ নেতৃত্বই শীঘ্ৰে সমগ্ৰ অসমত প্ৰিপেইড স্মাৰ্ট মিটাৰৰ ইনষ্টলেশ্যন বন্ধ কৰা, ঘৰুৱা গ্ৰাহকসকলৰ মাজত সকলো প্ৰিপেইড স্মাৰ্ট মিটাৰ স্থাপনৰ বিপৰীত পোষ্ট-পেইড মিটাৰ বহুওৱাক, চৰকাৰী কাৰ্যালয়, উদ্যোগ, আৰু বাণিজ্যিক প্ৰতিষ্ঠানত প্ৰিপেইড স্মাৰ্ট মিটাৰ স্থাপনক প্ৰাথমিকতা দিয়াৰ দাবী জনায়। চৰকাৰী কাৰ্যালয়, উদ্যোগ, আৰু বাণিজ্যিৰ ক্ষেত্ৰতো স্মাৰ্ট মিটাৰ সংযোগ প্ৰক্ৰিয়া স্বচ্ছ কৰিবলৈ দাবী জনাই বিৰোধী দলকেইটাই। স্মাৰ্ট মিটাৰ ইনষ্টলেশ্যনৰ ক্ষেত্ৰত দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰি এক স্বতন্ত্ৰ তদন্ত সমিতি গঠন কৰি নিৰপেক্ষ তদন্ত কৰিবলৈকো দাবী জনাই বিৰোধী ঐক্য মঞ্চই। উল্লেখ্য যে ইয়াৰ পূৰ্বেও কংগ্ৰেছকে ধৰি বিভিন্ন ৰাজনৈতিক দলে স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসহ্য! আহিনতো ৰ'দৰ


ৰাজ্যত তাপমাত্ৰা সহিব নোৱাৰি বহু মানুহৰ মূৰ্চ্ছা যোৱাৰ খবৰ পোৱা গৈছে। প্ৰখৰ ৰ'দৰ তীব্ৰতাই বিঘ্নিত কৰিছে জনতাৰ স্বাভাৱিক জীৱন যাত্ৰা। গ্ৰীষ্মৰ এনে তীব্ৰতাই জনজীৱন বিপৰ্যস্ত কৰি তোলাৰ সমান্তৰালভাৱে ক্ষতিগ্ৰস্ত হৈছে গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকল। কিয়নো গাঁৱৰ স্কুলসমূহত নাই বিদ্যুতৰ ব্যৱস্থা। মুঠতে দেশৰ ভিতৰতে তাপমাত্ৰা অত্যাধিক বৃদ্ধি হৈছে অসমত। ৪-৬ ডিগ্ৰী চেলচিয়াছলৈ তাপমাত্ৰা বৃদ্ধি পোৱাৰ বিপৰীতে হ্ৰাস পাইছে বৃষ্টিপাত। অসমৰ অধিকাংশ জিলাতে বৰষুণ নাই। ফলত ৪-৬ ডিগ্ৰী চেলছিয়াছ পৰ্যন্ত তাপমাত্ৰা বৃদ্ধি পাইছে। আহিনত এই পাৰাস্তম্ভ দেখি স্তম্ভিত অসমবাসী। উৎকট গৰমৰ বাবে বিদ্যালয়ৰ পাঠদানৰ সময়সূচী সলনি কৰিছে প্ৰশাসনে। ২১ ছেপ্টেম্বৰৰ পৰা পুৱা ৭ বাজি ৩০ মিনিটৰ পৰা আৰম্ভ হ'ব পাঠদান। লগতে ১২ বাজি ৩০ বাজত সমাপ্ত কৰিব লাগিব পাঠদান। পুৱাৰ প্ৰাতঃসভা শ্ৰেণীকোঠাৰ ভিতৰতে সম্পন্ন কৰিব লাগিব। ব্ৰেষ্টকোট, টাই, জোতা, পিন্ধাতো নিষেধাজ্ঞা জাৰি কৰা হৈছে। আনহাতে শিক্ষা বিভাগে প্ৰকাশ কৰা মতে, শ্ৰেণীকোঠাত ফেনৰ ব্যৱস্থা কৰিব লাগিব। বিদ্যুৎ সংযোগ ব্যাহত হ'লে বিকল্প ব্যৱস্থা কৰিব লাগিব বিদ্যালয় কৰ্তৃপক্ষই। এই নিৰ্দেশনা জাৰি কৰিছে কামৰূপ মহানগৰ জিলা কৰ্তৃপক্ষই। এই নিৰ্দেশনা সকলো ব্যক্তিগত খণ্ড আৰু ৰাজহুৱা খণ্ডৰ শিক্ষানুষ্ঠানে মানি চলিব লাগিব। আন কেইবাখনো জিলা কৰ্তৃক্ষই একেই নিৰ্দেশ প্ৰদান কৰিছে। বিশ্বনাথ জিলাত পুৱা ৭.৩০ বজাত আৰম্ভ হ'ব বিদ্যালয়ৰ পাঠদান। ৰাজ্যৰ আন কেইবাখনো জিলা প্ৰশাসনে পাঠদানৰ সময়সূচী সলনি কৰা বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আপ অসমৰ সভাপতি

কল্পনাৰ অন্তত আজি আপৰ ৰাজ্যিক সমিতিৰ নেতৃত্ব সলনি কৰিছে ৰাষ্ট্ৰীয় সমন্বয়ক সমিতিয়ে। নতুন ৰাজ্যিক সভাপতি নিযুক্তি দিছে ৰাষ্ট্ৰীয় সমিতিয়ে। মনোজ ধানোৱাৰক আপ অসমৰ সভাপতিৰ দায়িত্ব প্ৰদান কৰিছে। পূৰ্বে ৰাজ্যিক সভাপতি আছিল ভবেন চৌধুৰী। ভবেন চৌধুৰীক পদোন্নতি দি ৰাষ্ট্ৰীয় যুটীয়া সম্পাদকৰ দায়িত্ব প্ৰদান কৰিছে। সৰ্বভাৰতীয় সমিতিয়ে অসমৰ ৰাজ্যিক আপৰ নেতৃত্ব সলনি কৰি মনোজ ধানোৱাৰক সভাপতিৰ দায়িত্ব দি সাংগঠনিক দিশ শক্তিশালী কৰাৰ লক্ষ্য লৈছে। কিন্তু যিগৰাকী ধানোৱাৰক দায়িত্ব প্ৰদান কৰিছে সেইগৰাকী ধানোৱাৰে বিগত লোকসভা নিৰ্বাচনত ডিব্ৰুগড় সংসদীয় সমষ্টিত ২ লাখ ভোট লাভ নকৰিলে। মাথো ১ লাখ ৩৭ হাজাৰ ভোট লাভ কৰিছিল। উল্লেখ্য যে আপ অসমৰ নেতৃত্বক লৈ দীৰ্ঘদিন ধৰি প্ৰশ্নৰ সন্মুখীন হৈ আহিছিল দলটো। একাংশ নেতা-কৰ্মীয়ে ভবেন চৌধুৰীৰ কাম-কাজক লৈ মুকলিকৈ অসন্তুষ্টি ব্যক্ত কৰি আহিছিল যদিও কেন্দ্ৰীয় নেতৃত্বই তেনে কথাত কাণসাৰ দিয়া নাছিল।

# সাংবাদিক-আৰটিআই কৰ্মীৰ মানসিক অত্যাচাৰ! চৰম পন্থা গ্ৰহণ পঞ্চায়তৰ প্ৰাক্তন সভাপতিৰ



## ■ বিতৰ্কিত আৰটিআই কৰ্মী দুলাল বৰাৰ বিৰুদ্ধে ব্লেকমেইলিং কৰাৰ অভিযোগ ■ প্ৰাক্তন বিডিঅ’ ৰঞ্জিত বুঢ়াগোঁহাই, সংবাদকৰ্মী পৰিস্মিতাক আটক

**ই-সংবাদ, সোণাৰি, ২০ ছেপ্টেম্বৰঃ** উজনিৰ চৰাইদেউ জিলাৰ এগৰাকী বিজেপি নেতাৰ আত্মহত্যা কাণ্ডই চাঞ্চল্যৰ সৃষ্টি কৰাৰ সময়তে ঘটনাই আজি নতুন মোৰ লয়। আজি প্ৰয়াত নেতাগৰাকীৰ পত্নীয়ে সোণাৰি আৰক্ষী থানাত দাখিল কৰা এজাহাৰত আৰটিআই কৰ্মী, সাংবাদিক আৰু প্ৰাক্তন খণ্ড উন্নয়ন বিষয়াৰ নাম উল্লেখ কৰা হৈছে। আত্মহত্যাৰ কাৰণ ধন দাবী বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰাত আৰক্ষী সক্ৰিয় হয়। ঘটনা সন্দৰ্ভত ইতিমধ্যে প্ৰাক্তন খণ্ড উন্নয়ন বিষয়া ৰঞ্জিত বৰগোহাঁইক আটক কৰিছে আৰক্ষীয়ে। বৰ্তমানেও পলাতক হৈ আছে এজাহাৰত নাম উল্লেখ থকা সাংবাদিক ৰফিক আহমেদ, পৰিস্মিতা ফুকন আৰু বহু বিতৰ্কিত আৰটিআই কৰ্মী দুলাল বৰা। উল্লেখ্য যে, সোণাৰি নগৰৰ পাশ্বৰ্বৰ্তী টিয়কঘাট ৰাইদঙীয়া ন-কছাৰী গাঁও নিবাসী তথা প্ৰাক্তন পঞ্চায়ত সভাপতি দেৱজিৎ হাজৰিকাই এদিন পূৰ্বে আত্মহনন কৰে। ৰজাপুখুৰী পঞ্চায়তৰ ৰংগমঞ্চত চিপ লৈ থকা অৱস্থাত দেৱজিতৰ নিথৰ দেহ উদ্ধাৰ হৈছিল। বিজেপিৰ জিলা কাৰ্যনিৰ্বাহক তথা প্ৰাক্তন পঞ্চায়ত সভাপতি দেৱজিতৰ আত্মহননৰ বাতৰি বিয়পি পৰাত অগণন গুণমুগ্ধই বাসগৃত উপস্থিত হয়। সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈ হাজৰিকাৰ বাসগৃহত উপস্থিত হয়। সোণাৰি আৰক্ষীয়ে আজি দেৱজিত হাজৰিকাৰ এটি ছুইচাইড নোট উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ছুইচাইড নোটটো দেৱজিত হাজৰিকাৰ গাড়ীত উদ্ধাৰ হয়। উল্লেখ্য যে, কালি দেৱজিত হাজৰিকাই ডিব্ৰুগড় নগৰত চকু পৰীক্ষাৰ বাবে যোৱাৰ কথা কৈছিল পত্নী মৌচুমীক। নিশা প্ৰায় দহ বজাত পত্নী মৌচুমীয়ে দেৱজিতলৈ ফোন কৰিছিল আৰু কিছু সময়ৰ পাছত ঘৰ পাবগৈ বুলি দেৱজিতে কৈছিল। কিন্তু দেৱজিত হাজৰিকাই ঘৰত প্ৰৱেশ নকৰিলে। ইয়াৰ বিপৰীতে দেৱজিত হাজৰিকাই নিজৰ আই-২০ গাড়ীখন ঘৰৰ সন্মুখৰ গেটৰ দাঁতিত সন্তৰ্পণে ৰাখি থৈ দাঁতি কাষৰীয়া ৰজাপুখুৰী পঞ্চায়তৰ কাৰ্যালয় চৌহদলৈ যায় আৰু পাছত ৰংগমঞ্চত আত্মহনন কৰে। জানিব পৰা মতে, ৰজাপুখুৰী পঞ্চায়তৰ প্ৰাক্তন সভাপতি দেৱজিত হাজৰিকাই নিজৰ কাৰ্যকালত চৰকাৰী আঁচনি ৰূপায়ণ কৰোতে অনিয়ম হোৱা বুলি অভিযোগ উত্থাপন কৰি এটা ছেটেলাইট নিউজ চেনেল আৰু পৰ্টেলত ধাৰাবাহিকভাৱে বাতৰি সম্প্ৰচাৰ হৈছিল। বিষয়টোৰ সন্দৰ্ভত প্ৰাক্তন সভাপতি হাজৰিকাই ছ’চিয়েল মিডিয়াৰ জৰিয়তে স্পষ্টভাৱে স্পষ্টীকৰণো দিছিল। কিন্তু সংশ্লিষ্ট নিউজ চেনেল আৰু নিউজ পৰ্টেলটোত পুনৰ একেবোৰ নিউজ সম্প্ৰচাৰ হোৱাত মানসিক অন্তৰ্দ্বন্দত ভুগিছিল। এনে সময়তে গুৱাহাটীৰ আৰটিআই কৰ্মী তথা এটা নিউজ পৰ্টেল তথা কেৱল চেনেলৰ স্বত্বাধিকাৰী ৰূপে পৰিচিত বিতৰ্কিত ব্যক্তি এজনে দেৱজিত হাজৰিকাৰ ৰজাপুখুৰী পঞ্চায়তৰ এখন বিশেষ চৰকাৰী আঁচনিৰ সন্দৰ্ভত আৰটিআই আবেদন কৰাৰ সমান্তৰালভাৱে ৰাজ্যপালৰ ওচৰত হেঁচা দিছিল। আৰটিআইকৰ্মীগৰাকীৰ এই কাৰ্যত স্থানীয়ভাৱে দুই সংবাদকৰ্মী আৰু এজন প্ৰাক্তন বিডিঅ’ই পূৰ্ণ সহযোগ আগবঢ়াইছিল। প্ৰতি নিয়ত ধাৰাবাহিকৰূপত অহা মানসিক নিৰ্যাতনত প্ৰায় ভাগি পৰিছিল প্ৰাক্তন সভাপতি দেৱজিত হাজৰিকা। কেইদিনমান পূৰ্বে সোণাৰিৰ বিধায়ক, চৰাইদেউৰ আয়ুক্তৰ লগতে একাংশ শুভাকাংক্ষীৰ সৈতে এই বিষয়টোৰ সন্দৰ্ভতো কথা পাতিছিল। কিন্তু স্বাভিমানী ব্যক্তি ৰূপে পৰিচিত প্ৰাক্তন পঞ্চায়ত সভাপতি দেৱজিত হাজৰিকাই মানসিক নিৰ্যাতনৰ বলি হৈ অৱশেষত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰে। ইফালে, প্ৰাক্তন পঞ্চায়ত সভাপতি দেৱজিত হাজৰিকাৰ গাড়ীত উদ্ধাৰ হোৱা ছুইচাইড নোটটোত ভিত্তিহীন বাতৰি ধাৰাবাহিকভাৱে পৰিৱেশন কৰি জনমানসত ভাৱমূৰ্তি ম্লান কৰা বুলি উল্লেখ কৰি দেৱজিত হাজৰিকাই আত্মহননৰ ঘটনাত ৪ জন লোক জড়িত বুলি স্পষ্টভাৱে লিখি থৈ যায়। লোককেইজন হ’ল, সোণাৰিৰ 'নিউজ লাইভ’ৰ সাংবাদিক ৰফিক আহমেদ, নিউজ পৰ্টেল তথা কেবল চেনেল 'এন ই ভাৰত’ৰ সোণাৰিৰ সাংবাদিক পৰিস্মিতা ফুকন বৈশ্য, প্ৰাক্তন বিডিঅ’ ৰঞ্জিত বুঢ়াগোহাঁই আৰু গুৱাহাটীৰ বিতৰ্কিত আৰটিআই কৰ্মী তথা নিউজ পৰ্টেল এটাৰ স্বত্বাধিকাৰী দুলাল বৰা। মনকৰিবলগীয়া যে, দেৱজিত হাজৰিকাৰ ছুইচাইড নোটত ৪ জন লোকৰ নাম উল্লেখ কৰি যোৱাৰ পাছতো সোণাৰি আৰক্ষীয়ে অভিযুক্তৰ বিৰুদ্ধে কোনো পদক্ষেপ গ্ৰহণ নকৰাত ৰাইজ ক্ষোভিত হয়। একাংশ স্থানীয় লোক আৰু বিজেপি কৰ্মীয়ে সোণাৰি আৰক্ষী থানালৈ আহি অভিযুক্ত কেইজনক কিয় আটক কৰা নাই, সেই বিষয়ত বিভিন্ন প্ৰশ্ন সুধি আৰক্ষীক ব্যতিব্যস্ত কৰি তোলে। অভিযুক্তক সোধ-পোছৰ বাবে আটক নকৰিলে ৰাইজে প্ৰতিবাদ কৰিবলৈ বাধ্য হ’ব বুলিও হুংকাৰ প্ৰদান কৰে। আনহাতে, দেৱজিত হাজৰিকাৰ পত্নীয়েও সোণাৰি আৰক্ষী থানাত সুকীয়াকৈ এজাহাৰ দাখিল কৰে। এনে অৱস্থাত সোণাৰি আৰক্ষীয়ে প্ৰাক্তন বিডিঅ’ ৰঞ্জিত বুঢ়াগোহাঁই আৰু সংবাদকৰ্মী পৰিস্মিতা ফুকন বৈশ্যক আজি আটক কৰিছে। আনহাতে, মৰণোত্তৰ পৰীক্ষাৰ অন্তত দেৱজিত হাজৰিকাক শেষ শ্ৰদ্ধাঞ্জলি জনাবলৈ বহু লোকৰ সমবেত হয় বাসগৃহত। প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈ, বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক অনুপসিং ৰাজপুৰোহিত আদিয়ে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰাক্তন পঞ্চায়ত সভাপতি দেৱজিত হাজৰিকাৰ শৰদেহ ৰজাপুখুৰী পঞ্চায়ত কাৰ্যালয়লৈ নিয়া হয় আৰু তাতো অগণন স্থানীয় ৰাইজে শেষ শ্ৰদ্ধাঞ্জলি জনায়। পাছত জন্মস্থান নজৰকা-টকলিমৰা গাঁৱত দেৱজিত হাজৰিকাৰ অন্তিম সৎকাৰ এক শোকাঁকুল পৰিবেশত বিয়লি সম্পন্ন কৰা হয়। প্ৰয়াত দেৱজিত হাজৰিকাই পত্নী, দহ বছৰীয়া এটি পুত্ৰ সন্তান, মাতৃ, ভাতৃসহ বহুতো আত্মীয় স্বজন এৰি গৈছে। উল্লেখ্য যে, সাপেখাতী ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি দেৱজিত হাজৰিকাই বিজেপি দলত যোগদান কৰাৰ পাছতেই ৰজাপুখুৰী পঞ্চায়তৰ সভাপতি ৰূপে নিৰ্বাচিত হৈছিল। সমাজ-সংগঠকৰূপে জনপ্ৰিয় দেৱজিত হাজৰিকাৰ মৃত্যুত চৰাইদেউ জিলা বিজেপি, যুৱ মৰ্চা, সোণাৰি ব্যৱসায়ী সন্থা, চৰাইদেউ জিলা ক্ৰীড়া সন্থা আদিয়ে শোক প্ৰকাশ কৰিছে। অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক মাণিক গগৈয়েও শোক প্ৰকাশ কৰিছে। আছু, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, আটাছু, টাইপা, আটছা, আগছু আদি সংগঠনেও হাজৰিকাৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

শিক্ষাৰ্থীৰ সেৰেঙা উপস্থিতি

# প্ৰচণ্ড গৰমত নগাঁৱত স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত



**ই-সংবাদ, বেবেজীয়া, ২০ ছেপ্টেম্বৰঃ** প্ৰচণ্ড গৰমে দহিছে সমগ্ৰ ৰাজ্য। বিগত কেইবাদিনো ধৰি সৃষ্টি হোৱা তীব্ৰ গ্ৰীষ্ম প্ৰবাহে সকলোকে ভাৰাক্ৰান্ত কৰি তুলিছে । প্ৰখৰ ৰ'দৰ তীব্ৰতাই বিঘ্নিত কৰিছে জনতাৰ স্বাভাৱিক জীৱন যাত্ৰাত । ৰাইজৰ মুখৰ মাত হৰিছে নিৰৱচ্ছিন্নভাৱে দি থকা টিকা ফটা ৰ'দৰ বাবে। নাহেহে নাহে এছাটি শীতল বতাহ। গ্ৰীষ্মৰ এনে তীব্ৰতাই জনজীৱন বিপৰ্যস্ত কৰি তোলাৰ সমান্তৰালভাৱে বহু পৰিমাণে ক্ষতিগ্ৰস্ত হৈছে গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকল। কিয়নো, ৰাজ্যৰ বিভিন্ন দৰে নগাঁও জিলাৰ গ্ৰামাঞ্চলবোৰত থকা শিক্ষানুষ্ঠানসমূহৰ অধিকাংশতে নাই পৰ্যাপ্ত বিদ্যুৎ, খোৱাপানী আৰু ফেন আদিৰ ব্যৱস্থা । উল্লেখ্য, অসম সৰ্বশিক্ষা অভিযান মিছনে উচ্চ আৰু নিম্ন প্ৰাথমিক স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলক সুশিক্ষাৰে শিক্ষিত কৰি তুলিবৰ বাবে ব্যয়বহুল বিভিন্ন আঁচনি ৰূপায়ণ কৰি আহিছে যদিও চহৰাঞ্চলৰ বিদ্যালয়ৰ তুলনাত গ্ৰামাঞ্চলৰ বিদ্যালয়বোৰত আজিপৰ্যন্ত বহু সুবিধা মিছনে আশ্চৰ্যজনকভাৱে প্ৰদান কৰা নাই। কাজেই, দেহা দেই পুৰি নিয়া উৎকট গৰমৰ হেতু গ্ৰামাঞ্চলৰ এনে বহু শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে পাঠ গ্ৰহনৰ বেলিকা ব্যাপক সমস্যাৰ সন্মুখীন হ'বলগীয়াত পৰিছে । আনকি, বিগত সময়ছোৱাত উদ্ভৱ হোৱা অসহ্যকৰ গৰমৰ বাবেই গ্ৰামাঞ্চলৰ শিক্ষানুষ্ঠানবোৰত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি যথেষ্ট সেৰেঙা হোৱা পৰিলক্ষিত হৈছে। যাৰ বাবে বহু শিক্ষানুষ্ঠানত বিদ্যালয় প্ৰধান আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীক পাঠদানৰ ক্ষেত্ৰত আহুকালৰ সন্মুখীন হৈছে। ফলত স্বাভাৱিকতেই ব্যাঘাট জন্মিছে ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ন প্ৰক্ৰিয়াত।

# দিছপুৰ আৰক্ষী থানাত সাংসদ ৰাহুল গান্ধীৰ বিৰুদ্ধে এজাহাৰ বিজেপিৰ

## বিভাজন আৰু উচতনিমূলক বক্তব্যৰ অভিযোগ

**ই-সংবাদ, ২০ ছেপ্টেম্বৰঃ** সাংসদ তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ বিৰুদ্ধে বিৰূপ মন্তব্য প্ৰদান কৰিছিল বিজেপিৰ কেইবাগৰাকী নেতাই। হত্যাৰ ভাবুকি পৰ্যন্ত প্ৰদান কৰিছিল। তাৰ পাছতো ৰাহুল গান্ধীৰ বিৰুদ্ধেই এজাহাৰ দাখিল কৰি গৈছে বিজেপি দলৰ বিভিন্ন ৰাজ্যৰ জিলা সমিতিসমূহে। আজি অসমৰ ৰাজধানী গুৱাহাটীতো ৰাহুল গান্ধীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে বিজেপিয়ে। দিছপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে বিজেপিৰ অনুসূচীত জাতি মৰ্চাৰ মহানগৰ সমিতিয়ে। বিজেপিৰ অনুসূচীত জাতি মৰ্চাৰ মহানগৰ জিলা সমিতিৰ নেতা ভৃগু দাসৰ নেতৃত্বত এটা দল দিছপুৰ আৰক্ষী থানাত উপস্থিত হৈ ৰাহুল গান্ধীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। ৰাহুল গান্ধীয়ে অনুসূচিত জাতি আৰু অন্যান্য পিছপৰা জাতি, জনগোষ্ঠীৰ সন্দৰ্ভত বিভাজনকাৰী আৰু উচটনিমূলক বক্তব্য দিয়াৰ অভিযোগ আনি বিজেপিৰ নেতাসকলে এই এজাহাৰ দাখিল কৰে। বিজেপিৰ নেতা ভৃগু দাসে কয় যে ৰাহুল গান্ধীয়ে আমেৰিকালৈ গৈ অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা জাতিক লৈ বিভাজনকাৰী তথা উচটনিমূলক বক্তব্য দিয়ে। যাৰ দ্বাৰা দেশৰ বিভিন্ন জাতি, জনগোষ্ঠীৰ মাজত সংশয়, বিভাজন আৰু সংঘাত লাগিব পাৰে।



ধেমাজিত অনা-মিচিং সুৰক্ষা সমিতিৰ বিৰাট গণ সত্যাগ্ৰহ কাৰ্যসূচী

# পুনৰ শিৱসাগৰ জিলা কাৰাগাৰৰ আলহী হ'ল বিমান

**ই-সংবাদ, শিৱসাগৰ ২০ ছেপ্টেম্বৰঃ** শিৱসাগৰৰ জেলত অনিয়ম হোৱা বুলি অভিযোগ উত্থাপন কৰি চৰ্চালৈ অহা কুখ্যাত অপৰাধী গোলাঘাটৰ বিমান বৰা পুনৰ ৰঙাঘৰত সোমাল। অপহৰণ, ডকাইতি, মাৰপিট আদিকে ধৰি অনেক কু-কৰ্মত অভিযুক্ত হৈ শিৱসাগৰ, যোৰহাটকে ধৰি কেইবাখনো কাৰাগাৰৰ কয়দী হোৱাৰ অভিজ্ঞতা অৰ্জন কৰা বিমান বৰাক এইবাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে চুৰিৰ অভিযোগত। চৰাইদেউ জিলাৰ সেউজীপামত এজন ব্যক্তিৰ এখন মটৰচাইকেল চুৰি কৰি আৰক্ষীৰ জালত পৰে বিমান বৰা। বৰ্তমান শিৱসাগৰ জিলা কাৰাগাৰৰ আলহী হোৱা বৰা যোৱা ৩০ আগষ্টত জামিনত মুক্তি লাভ কৰিছিল। জামিনত মুক্তি লাভ কৰিয়েই শিৱসাগৰ জিলা কাৰাগাৰত দুৰ্নীতি অনিয়ম হৈ থকা বুলি অভিযোগ উত্থাপন কৰি বাতৰিৰ শিৰোনাম দখল কৰিছিল বিমান বৰাই। কিন্তু ধুৰন্ধৰ বিমান বৰাৰ অভিযোগ খণ্ডন তথা ন্যসাৎ কৰিছিল কাৰাগাৰ কৰ্তৃপক্ষই। বিভিন্ন অপৰাধমূলক কামত অভিযুক্ত হৈ কেইবাবাৰো জেলত সোমোৱা বৰা মুকলি আকাশলৈ ওলালেই অপৰাধমুলক কামত জড়িত হৈ আৰক্ষীৰ বাবে একপ্ৰকাৰৰ মূৰৰ কামোৰণিত পৰিণত হয় বুলি আৰক্ষীৰ লগতে বিভিন্নজনে অভিযোগ উত্থাপন কৰি আহিছে।

# নিঃসংকোচে নৈত জঁপিয়াই ৪ যুৱকৰ জীৱন ৰক্ষা কৰিলে যমুনাৰ পাৰৰ মোহিনীয়ে

**লক্ষ্ণৌ, ২০ ছেপ্টেম্বৰঃ** উত্তৰ প্ৰদেশৰ আগ্ৰাত গণেশ মূৰ্তি বিসৰ্জনৰ সময়ত যমুনা নদীত উটি যোৱা চাৰি যুৱকৰ জীৱনদায়িনী হৈ পৰিল পূজাৰ সামগ্ৰী বিক্ৰী কৰা এগৰাকী সাধাৰণ কিশোৰী। যমুনাৰ বুকুত জঁপিয়াই এজন এজনকৈ চাৰি যুৱকৰ প্ৰাণ ৰক্ষা কৰে মোহিনী নামৰ দশম শ্ৰেণীৰ ছাত্ৰীগৰাকীয়ে। আগ্ৰাৰ বাহ বাটেশ্বৰধাম যমুনা পাৰ মন্দিৰৰ সমীপত সংঘটিত হৈছে এই ঘটনা। দুদিন পূৰ্বে গণেশ মূৰ্তি বিসৰ্জনৰ পিচত গা ধুবলৈ নদীত নামিছিল আকাশ আৰু তেওঁৰ আন এজন বন্ধুৱে। কিন্তু যমুনাৰ কোবাল সোঁতত দুয়োজন যুৱকে থাউনি নাপাই উটি যাবলৈ ধৰাত সেই দৃশ্য প্ৰত্যক্ষ কৰে আন দুজন যুৱকে। তেওঁলোকেও নদীত জাপ দি যুৱক দুজনক বচাবলৈ আপ্ৰাণ চেষ্টা চলায় যদিও সোঁতত চাৰিওজন যুৱকেই উটি যায়।

সেই সময়তে ঘাটত পূজাৰ সামগ্ৰী বিক্ৰী কৰি থকা দশম শ্ৰেণীৰ ছাত্ৰী মোহিনীয়ে নদীত জাপ দিয়ে আৰু অতি দক্ষতাৰে চাৰিওজন যুৱকক সোঁতত উটি যোৱাৰ পৰা ৰক্ষা কৰে। জানিব পৰা মতে, সাহস আৰু বীৰত্বৰ পৰিচয় দিয়া মোহিনীৰ প্ৰকৃত ঘৰ হৈছে মথুৰাত। পিতৃৰ মৃত্যুৰ পিছত তেওঁলোকৰ পৰিয়ালটো নেনিহাললৈ গুচি আহে আৰু পিছত বাটেশ্বৰত থাকিবলৈ লয়। মাতৃ অনিতা দেৱীয়ে যমুনাৰ পাৰত পূজাৰ সামগ্ৰী বিক্ৰী কৰে আৰু মোহিনীয়েও প্ৰতি সোমবাৰে আৰু উৎসৱৰ সময়ত মাকক সহায় কৰি দিয়ে। উল্লেখ্য যে, ৰয়েল গাৰ্লছ স্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰী মোহিনীয়ে দহ বছৰ বয়সৰ পৰাই যমুনাৰ বুকুত সাঁতোৰ অভ্যাস কৰি আহিছিল। এই অভ্যাসেই শেহতীয়াকৈ চাৰি যুৱকৰ জীৱন ৰক্ষা কৰে।



চাপৰৰ শালকোচাত নাথ যোগী ছাত্ৰ সন্থাৰ উদ্যোগত কেন্দ্ৰীয় শ্বহীদ দিৱস আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ

# মৰিগাঁও জিলাত জ্যেষ্ঠ নাগৰিক সভাৰ সাংস্কৃতিক সমাৰোহৰ আয়োজন

**ই-সংবাদ, মৰিগাঁও,২০ ছেপ্টেম্বৰঃ** অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ সঞ্চালকালয় অধীনত জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ উদ্যোগত আৰু মৰিগাঁও জিলা জ্যেষ্ঠ নাগৰিক সভাৰ সহযোগত কাইলৈ দিনজোৰা কাৰ্য্যসূচীৰে পবিতৰা হাটত অনুষ্ঠিত হব সাংস্কৃতিক সমাৰোহ। এক ব্যতিক্ৰম ধৰ্মী কাৰ্যসূচীৰে জ্যোতি সংগীত,ৰাভা সংগীত আৰু ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা জ্যেষ্ঠ নাগৰিক সভাৰ সভাপতি তথা শিক্ষাবিদ মহেন্দ্ৰ নাথ হাজৰিকা আৰু সম্পাদক ভূজেন ডেকাৰ তত্বাৱধানত ইতিমধ্যে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে।জ্যেষ্ঠ নাগৰিক সভাৰ সভাপতি মহেন্দ্ৰ নাথ হাজৰিকাই পুৱা পতাকা উত্তোলনৰে কাৰ্যসূচী শুভাৰম্ভ কৰিব লগীয়া সাংস্কৃতিক সমাৰোহ কাৰ্য্যসূচীত বন্তি প্ৰজ্বলন কৰিব কাৰ্যকৰী সভাপতিহৰমোহন কলিতা,উপদেষ্টা মনেশ্বৰ দেউৰী আৰু উপ-সভাপতি বেলায়েত হুছেইনে।শ্ৰদ্ধাঞ্জলি অনুষ্ঠান শুভৰাম্ভ কৰিব উপদেষ্টা মোহন চন্দ্ৰ বৰদলৈ,সত্যব্ৰত বৰঠাকুৰ আৰু ডা:পুনিৰাম পাটৰে। ইয়াৰ পিছতেই জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই উদ্বোধন কৰিব লগীয়া সাংস্কৃতিক সমাৰোহত জ্যেষ্ঠ নাগৰিক সকলৰ মাজত অনুষ্ঠিত হব জ্যোতি,ৰাভা আৰু ভূপেন্দ্ৰ সংগীতৰ প্ৰতিযোগিতা। জিলাখনত জ্যেষ্ঠ নাগৰিক সকলৰ মাজত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হব লগীয়া সাংস্কৃতিক সমাৰোহ খনি সফল কৰি তোলাৰ ক্ষেত্ৰত সকলো ৰাইজৰে সহায় সহযোগিতা কামনা কৰিছে আয়োজক সমিতিয়ে।

# অযোধ্যাত ‘সূত্ৰধাৰ-২০২৪’ শীৰ্ষক ৰাষ্ট্ৰীয় শৈক্ষিক আৰু সাংস্কৃতিক সন্মিলন




**ই-সংবাদ, বেৰেজীয়া, ২০ ছেপ্টেম্বৰঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ চিন্তা-দৰ্শন আৰু অসম তথা অসমীয়াৰ জাতীয় জীৱনৰ স্বকীয় বৈশিষ্ট্যপূৰ্ণ অনন্য সমলসমূহ ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচাৰ আৰু প্ৰসাৰৰ সংকল্পৰে উত্তৰ প্ৰদেশৰ অযোধ্যাত শুকুৰবাৰৰ পৰা আৰম্ভ হৈছে কুটুম্ব সুৰক্ষা পৰিষদৰ উদ্যোগত 'সূত্ৰধাৰ ২০২৪' শীৰ্ষক ৰাষ্ট্ৰীয় শৈক্ষিক আৰু সাংস্কৃতিক সন্মিলন । যাৰ ফলত গুৰু বন্দনাৰে প্ৰভু শ্ৰীৰামচন্দ্ৰৰ পবিত্ৰ জন্মভূমি অযোধ্যা মুখৰিত হৈ পৰাৰ বিপৰীতে আধ্যাত্মিক বাতাবৰণত জয় গুৰু শংকৰ ধ্বনিৰ মাজেৰে অসমীয়া ভকত-বৈষ্ণৱ, আইমাতৃসকলৰ দ্বাৰা পৰিবেশিত খোল-প্ৰসংগ, নাম-কীৰ্তন, বৰগীত আদিৰ অমিয়া সুৰৰ সমাহাৰে এক মনোমোহা পৰিবেশৰ সৃষ্টি হৈছে । অযোধ্যাৰ বাসুদেৱ ঘাটৰ ধৰ্ম মণ্ডপত অসমৰ লগতে দেশৰ বিভিন্ন ৰাজ্যৰ ২০০ গৰাকী অধ্যাপক, গৱেষক ছাত্ৰ-ছাত্ৰী, লেখক, আলোচক আৰু শিল্পীক একত্ৰিত কৰি তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা এই সন্মিলনৰ বিষয়বস্তু হৈছে 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সাংস্কৃতিক ৰাষ্ট্ৰবাদৰ বাটকটীয়া'। কাৰ্যসূচী অনুসৰি আজি প্ৰথম দিনা পুৱা গুৰু আসন স্থাপন, নাম-প্ৰসংগ, খোল-প্ৰসংগ, ৰাষ্ট্ৰীয় শৈক্ষিক আৰু সাংস্কৃতিক সন্মিলনৰ উদ্‌ঘাটন সমাৰোহ, বৰগীত পৰিৱেশন আদিৰ অন্তত বিয়লি ১৫০ গৰাকী মহিলাৰ দ্বাৰা দিহানাম পৰিবেশনৰ লগতে সন্ধিয়া নৃত্য নাটিকা 'ৰাম কথা' আৰু অংকীয়া ভাওনা 'ৰাম বিজয়' পৰিবেশন কৰা হয় । ইফালে, দ্বিতীয় দিনা নাম-প্ৰসংগ, খোল-প্ৰসংগ, গুৰু বন্দনা, সন্মিলনৰ তৃতীয় শৈক্ষিক সত্ৰ, চতুৰ্থ শৈক্ষিক সত্ৰ, পঞ্চম শৈক্ষিক সত্ৰ, ১৫০ গৰাকী মহিলাৰ দ্বাৰা ঠিয়নাম পৰিবেশন, চালি নৃত্য আৰু সন্ধিয়া অংকীয়া ভাওনা 'ৰুক্মিণী হৰণ' পৰিবেশন কৰা হব । ঠিক সেইদৰে অন্তিম দিনা নাম-প্ৰসংগ, খোল প্ৰসংগ, অনুষ্ঠান স্থলীৰ পৰা শ্ৰীৰাম মন্দিৰলৈ পদব্ৰজে সাংস্কৃতিক শোভাযাত্ৰা, ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা সাধু-সন্ত-মহন্তৰ সন্মিলন, বৰগীত পৰিৱেশনৰ লগতে ৰাষ্ট্ৰীয় শৈক্ষিক আৰু সাংস্কৃতিক সন্মিলন তথা সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰা লোক সকলক মানপত্ৰ প্ৰদান কৰা হ'ব । তদুপৰি সন্ধিয়া "দক্ষ যজ্ঞ" ভাওনা পৰিবেশন কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে ।




ট্ৰফীৰ সৈতে ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ ফুটবলত চেম্পিয়ন অসম দলটো

# হাৰিয়ানাক পৰাস্ত কৰি অসম চেম্পিয়ন

**ই-সংবাদ, যোৰহাট, ২০ ছেপ্টেম্বৰঃ** ১৫ বছৰ অনূৰ্ধ্ব ৰাষ্ট্ৰীয় ফুটবল চেম্পিয়নশ্বিপ ছাব-জুনিয়ৰ বয়জ (টায়াৰ-২) প্ৰতিযোগিতাত দুৰ্দান্ত প্ৰদৰ্শন দাঙি ধৰিছে অসমে। আৰম্ভণিৰে পৰা প্ৰতিটো বিপক্ষকে ধৰাশায়ী কৰি অহা ঘৰুৱা দলটোৱে আজি চূড়ান্ত খেলত বৃহৎ জয় সাব্যস্ত কৰে। যোৰহাট জিলা ক্ৰীড়া সন্থাৰ আতিথ্যত যোৰহাট ষ্টেডিয়াম আৰু মৰিয়নী বাপুজী ষ্টেডিয়ামত অনুষ্ঠিত ১৫ বছৰ অনূৰ্ধ্বৰ এই প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলত অসমে দুৰ্দান্তভাৱে খেলি গ'লৰ বন্যা বোৱাই প্ৰতিযোগিতাখনত চেম্পিয়ন খিতাপ অৰ্জন কৰিছে। ঘৰুৱা দলটোৱে হাৰিয়ানাক পৰাস্ত কৰি অৰ্জন কৰে চেম্পিয়নৰ খিতাপ।

## নিৰ্বাচনী বতৰৰ মাজতে অপ্ৰীতিকৰ ঘটনা, কঠোৰ প্ৰশাসন

# হাৰিয়ানাত কংগ্ৰেছৰ বিধায়কৰ কনভয়লৈ লক্ষ্য কৰি দুৰ্বৃত্তৰ গুলীবৰ্ষণ, আহত ১

**চণ্ডীগড়, ২০ ছেপ্টেম্বৰঃ** অহা ৫ অক্টোবৰত অনুষ্ঠিত হ'ব হাৰিয়ানাৰ বিধানসভা নিৰ্বাচন। কিন্তু এই নিৰ্বাচনৰ পূৰ্বেই ৰাজনৈতিক উত্তেজনাই বিৰাজ কৰিছে ৰাজ্যখনত। শুকুৰবাৰে কংগ্ৰেছৰ এগৰাকী বিধায়কৰ কনভয়ত দুৰ্বৃত্তই আক্ৰমণ কৰাৰ অভিযোগ উত্থাপন কৰে ৰাজ্যখনৰ বিৰোধী দলটোৱে। এই আক্ৰমণত এজন লোক আহত হোৱা বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে সদৰী কৰা মতে, শুকুৰবাৰে সন্ধিয়া পঞ্চকুলাত নিৰ্বাচনী সভাৰ পৰা উভতি অহাৰ সময়তে দুৰ্বৃত্তই আক্ৰমণ কৰে কলকাৰ বিধায়ক প্ৰদীপ চৌধাৰীৰ কনভয়ত। দুৰ্বৃত্তৰ গুলীবৰ্ষণত কনভয়ত থকা গোল্ডি নামৰ



এজন লোক আহত হয়। দুটাকৈ গুলীয়ে আঘাত কৰা লোকজনক চিকিৎসাৰ বাবে পৰৱৰ্তী সময়ত চণ্ডীগড়ৰ একন হাস্পতালত ভৰ্তি কৰোৱা হয়। আৰক্ষীয়ে প্ৰাথমিক তদন্তত গোষ্ঠীগত কাৰণত এই আক্ৰমণ সংঘটিত কৰাৰ সন্দেহ কৰিছে।

আৰক্ষী সূত্ৰই সদৰী কৰা মতে, আহত গোল্ডি নামৰ লোকজনৰ বিৰুদ্ধে একাধিকঅপৰাধমূলক গোচৰ ৰুজু হৈ আছে। অৱশ্যে দুৰ্বৃত্তৰ টাৰ্গেট গোল্ডি আছিল নে বিধায়ক প্ৰদীপ চৌধাৰী আছিল সেয়া এতিয়াও স্পষ্ট হোৱা নাই। আৰক্ষীয়ে দোষীৰ সন্ধানত ইতিমধ্যে এটা দল কৰি অভিযান আৰম্ভ কৰিছে। প্ৰণিধানযোগ্য যে, অহা ৫ অক্টোবৰত হাৰিয়ানা বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰ পিছতে ৮ অক্টোবৰত ৯০ সমষ্টিৰ ভোটগণনা সম্পন্ন হ'ব। নিৰ্বাচনৰ প্ৰাকক্ষণত কংগ্ৰেছ বিধায়কৰ কনভয়ত সংঘটিত এই আক্ৰমণক লৈ শাসকীয় বিজেপিৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে কংগ্ৰেছ।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## ৪২ৰ ভাৰত ত্যাগ আন্দোলনৰ শ্বহীদ গৰাকীৰ বীৰত্বক চেল্যুট

# শ্বহীদ মনবৰ নাথক স্মৰণ নাথ যোগী ছাত্ৰ সন্থাৰ

**ই-সংবাদ, বিলাসীপাৰা, ২০ ছেপ্টেম্বৰঃ** অইনবেলিৰ দৰে এইবেলিও ৪২ৰ ভাৰত ত্যাগ আন্দোলনৰ শ্বহীদ হোৱা মনবৰ নাথৰ স্মৃতিত শ্বহীদ দিৱস পালন কৰে নাথ যোগী ছাত্ৰ সন্থাই৷ ভাৰত ত্যাগ আন্দোলনৰ সময়ত ঢেকীয়াজুলি থানা চৌহদত ত্ৰিৰংগা পতাকা উত্তোলন কৰিবলৈ গৈ দেশৰ মাতৃৰ হকে প্ৰাণ আহুঁতি দিয়া শ্বহীদ মনবৰ নাথক আজি দিনজোৰা কাৰ্যসূচীৰে স্মৰণ কৰে নাথ যোগী ছাত্ৰ সন্থাই৷ ধুবুৰী জিলাৰ বিলাসীপাৰাৰ মহকুমাৰ শালকোচাত কেন্দ্ৰীয় শ্বহীদ দিৱস আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহত পুৱা পতাকা উত্তোলন, শ্বহীদ তৰ্পন, জাতীয় শ্বহীদ মানবৰ নাথৰ প্ৰতিচ্ছবিৰ লগতে গুৰগোৰক্ষ নাথৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰে নাথ যোগী ছাত্ৰ সন্থাৰ নেতা-কৰ্মীয়ে৷ শালকোচাৰ দৌল মন্দিৰ প্ৰাঙ্গণত অনুষ্ঠিত হয় শ্বহীদ দিৱসত নাথ যোগী জনগোষ্ঠীটোৰ কলা কৃষ্টি, জনগোষ্ঠীয় সংস্কৃতি প্ৰদৰ্শন কৰাৰ লগতে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিয়াই সংগঠনটোৱে। দুপৰীয়া অনুষ্ঠিত মুকলি সভাত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, সাংসদ কামাখ্যা প্ৰসাদ তাছা, আছুৰ প্ৰাক্তন সভাপতি দীপাংক নাথ, কেএচিৰ মুখ্য কাৰ্যবাহী পাৰিষদ জীৱেশ ৰায়, আটাছুৰ সভাপতি মিলন বুঢ়াগোহাঁই, গৰিয়া মৰিয়া দেশীজাতীয় পৰিষদৰ প্ৰাক্তন সভাপতি শ্বাহনাৱাজ হুছেইন, সুত্ৰধৰ ছাত্ৰ সন্থা, আছাকে ধৰি প্ৰায় প্ৰতিটো জাতীয় সংগঠনৰ নেতৃবৰ্গ উপস্থিত থাকে। সদৌ অসম নাথ যোগী ছাত্ৰ সন্থাই শ্বহীদ মানবৰ নাথৰ স্মৃতিত এখন মেডিকেল কলেজ, নাথ যোগীসকলক জনজাতিকৰণৰ মৰ্যদা প্ৰদান কৰা আৰু নাথ যোগী জনগোষ্ঠীৰ বাবে উপগ্ৰহীয় স্বায়ত্ব শাসিত পৰিষদ গঠনৰ দাবী উত্থাপন কৰে। দি নিজৰ জেপ গধুৰ কৰাৰ পদব্ৰজে আদৰি আনে। অগণন জনতাই সভাপতিগৰাকীক উস্ম আদৰণি জনায়।

# লাহৰীঘাটত গাঁও পঞ্চায়তৰ সীমা পুনৰ্নিৰ্ধাৰণক লৈ ৰাজহ চক্ৰ কাৰ্যালয়ত ৰাইজৰ উত্তাল প্ৰতিবাদ

**ই-সংবাদ, লাহৰীঘাট ২০ ছেপ্টেম্বৰ :** মৰিগাঁও জিলাৰ লাহৰীঘাটত গাঁও পঞ্চায়তৰ সীমা পুনৰ্নিৰ্ধাৰণক লৈ ক্ষুব্ধ হৈ উঠিছে একাংশ গাঁও পঞ্চায়ত বাসী। ইতিমধ্যে বিধান সভা সমষ্টিৰ পুনৰ্নিৰ্ধাৰণৰ জৰিয়তে জিলাখনৰ জাগীৰোড বিধান সভা সমষ্টিৰ পৰা লাহৰীঘাট বিধান সভা সমষ্টিত অন্তভুক্ত হোৱা মায়ং অঞ্চলৰ লেহপতি গাঁও পঞ্চায়তৰ পৰা পাঁচখনকৈ গাঁও কৰ্তন কৰি ২০ কিলোমিটাৰ দূৰত্বত অৱস্থিত হয়বৰগাঁও গাঁও পঞ্চায়তত অন্তভুক্ত কৰাত উক্ত গাঁওবাসী অতিষ্ঠ হৈ পৰিছে।যাৰ বাবে পূৰ্বৰ গাঁও পঞ্চায়ত বিচাৰি আজি লাহৰীঘাট ৰাজহ চক্ৰৰ কাৰ্যালয়ত উক্ত গাঁও কেইখনৰ দুই শতাধিক লোক উপস্থিত হৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে।প্ৰতিবাদী লোক সকলে ' আমাক লেহপতি পঞ্চায়ত লাগিবই,আমাৰ পঞ্চায়ত আমাক ঘূৰাই দিয়ক,আমি সীমা



পুনৰ্নিৰ্ধাৰণ আয়োগৰ এই সিদ্ধান্ত কোনো পধ্যেই নামানো ' আদি শ্লʼগানেৰে সমগ্ৰ পৰিবেশ উত্তাল কৰি তোলে ।উল্লেখ্য যে মৰিগাঁও জিলা সীমা পুনৰ্নিৰ্ধাৰণ আয়োগে গাঁও পঞ্চায়তৰ সীমা পুনৰ্নিৰ্ধাৰণ কৰি খচৰা তালিকাত প্ৰকাশ পোৱা লেহপতি গাঁও পঞ্চায়তৰ অন্তৰ্গত সান্দহখাইটি,ফলিয়ামাৰী,গাগলমাৰী,পাকৰিগুৰি আৰু কাৰিগুৰি গাঁও কেইখন কৰ্তন কৰি বিশ কিলোমিটাৰ দূৰত্বত অৱস্থিত হয়বৰগাঁও গাঁও পঞ্চায়তত অন্তভুক্ত কৰিছে।লেহপতি গাঁও পঞ্চায়তৰ ৬৮ শতাংশ ভোটাৰ থকা উক্ত পাঁচখন গাঁৱৰ ৰাইজে বিশ কিলোমিটাৰ দূৰত্বৰ হয়বৰগাঁও গাঁও পঞ্চায়তৰ সৈতে যোগাযোগৰো নাই কোনো সুব্যৱস্থা।খহনীয়াগ্ৰস্ত অঞ্চলটোত বিধ্বস্ত যাতায়ত ব্যৱস্থাৰ বাবে আৰু কাষৰীয়া কেইবাখনো পঞ্চায়ত অতিক্ৰম কৰি হয়বৰগাঁও গাঁও পঞ্চায়তত উল্লেখিত গাঁও কেইখন অন্তভুক্ত কৰাত ভীষণ সমস্যাৰ সন্মুখীন হৈছে অঞ্চলবাসী।যাৰ বাবে তেওঁলোকে পুনৰ লেহপতি গাঁও পঞ্চায়তত সান্দহখাইটি, ফলিয়ামাৰী, গাগলমাৰী, পাকৰিগুৰি আৰু কাৰিগুৰি গাঁও কেইখন অন্তভুক্ত কৰি পূৰ্বৰ দৰে বাহাল ৰাখিবলৈ জিলা প্ৰশাসনৰ লগতে স্থানীয় বিধায়ক ডাঃ আচিফ মহম্মদ নাজাৰ আৰু স্থানীয় সাংসদ প্ৰদ্যুৎ বৰদলৈক দাবী জনাছে।ইফালে আজি প্ৰতিবাদী লোক সকলে লাহৰীঘাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বিকাশ ছেত্ৰীক সাক্ষাৎ কৰি তেওঁলোকে সন্মুখীন হোৱা পৰিস্থিতিৰ সন্দৰ্ভতো অৱগত কৰে।

শেষ পৃষ্ঠা

# দমিনাৰ ক্ৰিকেট ক্লাবৰ সৌজন্যত দিবা টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতা



**ই-সংবাদ, বৰমা ২০ ছেপ্টেম্বৰ:** বৰমা ২০ ছেপ্তেম্বৰ :আজিৰে পৰা নলবাৰী জিলাৰ কাছিমপুৰ বাপুজী হাইস্কুল খেলপথাৰত দমিনাৰ ক্ৰিকেট ক্লাবৰ সৌজন্যত প্ৰথম বাৰ্ষিক দিবা টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতা আৰাম্ভ হৈছে। আজি খেলখন উদ্বোধন কৰে বাপুজী হাইস্কুলৰ প্ৰধান শিক্ষক প্ৰমোদ কলিতাই খেল খন অনুষ্ঠিত হ'ব ২২ছেপ্টেম্বৰলৈ। প্ৰতিযোগিতা খনত প্ৰথম পুৰস্কাৰ হিচাপে আছে ৮০০১ টকা লগতে ট্ৰফি, দ্বিতীয় পুৰষ্কাৰ হিচাপে আছে ৫০০১ টকা লগতে ট্ৰফি। দলসমুহক 7086559759 আৰু 6900561679 নম্বৰত যোগাযোগ কৰিবলৈ কোৱা হৈছে।



বুমৰাহৰ ধুমুহা, বাংলাদেশৰ ৪উইকেট দখল

# মৰিগাঁৱত ক্ৰীড়া সংগঠক, প্ৰকৃতিপ্ৰেমী টঙ্কেশ্বৰ ডেকাৰ দেহাৱসান, শোকৰ ছাঁ

**ই-সংবাদ মৰিগাওঁ, ২০ ছেপ্টেম্বৰঃ** মৰিগাঁও জিলাৰ গছৰগুৰি গাঁৱৰ বিশিষ্ট শিক্ষা বিদ, ক্ৰিয়া সংগঠক, প্ৰকৃতিপ্ৰেমী টঙ্কেশ্বৰ ডেকাৰ আজি নিজ বাসগৃহত দেহাবসান ঘটে।শিক্ষাবিদ ডেকাই নগাঁও মহাবিদ্যালয়ৰ পৰা বৃহত্তৰ অঞ্চলটোৰ ভিতৰতে প্ৰথম অনাৰ্চ গ্ৰেজুৱেট হিচাপে শিক্ষা সাং কৰি মৰিগাঁও জিলাৰ অতি পিছ পৰা অঞ্চল বৈদ্যবৰি উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষক ৰূপে কৰ্মজীৱন আৰম্ভ কৰি প্ৰধান শিক্ষক ৰূপে অৱসৰ গ্ৰহণ কৰে। শিক্ষকতাৰ উপৰিও প্ৰয়াত ডেকা গছৰগুৰি অঞ্চলৰ সামাজিক, সাংস্কৃতিক, ক্ৰীড়া আদি সকলো দিশতে জৰিত হৈ আছিল। তেঁও বৃহত্তৰ গছৰগুৰি অঞ্চলৰ উপৰিও মৰিগাঁও জিলাৰ এগৰাকী সৰবৰহী ব্যক্তি আছিল। তেওঁ যুৱ অৱস্থাতে এজন সুদক্ষ ফুটবল খেলুৱৈ হিচাপেও প্ৰতিষ্ঠা লাভ কৰিছিল। প্ৰয়াত ডেকা গছৰগুৰি শংকৰী কলা কৃষ্টি বিকাশ কেন্দ্ৰৰ সভাপতি আৰু ত্ৰিবেণী সংঘৰ উপদেষ্টা পদত অধিষ্ঠিত হৈ থকাৰ উপৰিও অসম সাহিত্য সভাৰ আজীৱন সভ্য আছিল। গছৰগুৰি অঞ্চলত সামাজিক বনানিকৰণ মুখ্য দায়িত্ব পালন কৰি সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানত বহুহাজাৰ গছ পুলি ৰোপন কৰি অঞ্চলটোক প্ৰাকৃতিক পৰিৱেশ আৰু সম্পদেৰ চহকী কৰি থৈ গৈছে। তেওঁৰ মৃতদেহ আজি আবেলিৰ ভাগত গছৰগুৰি লক্ষ্মীনাথ বেজবৰুৱা মাধ্যমিক বিদ্যালয়লৈ নি বহু অনুষ্ঠান প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত প্ৰয়াত ডেকাই পত্নী, তিনিজন পুত্ৰ দুগৰাকী জীয়ৰীৰ লগতে বহু আত্মীয়স্বজন আৰু গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়।

# নামতিত পিয়লি ফুকন শাখা সাহিত্য সভাৰ প্ৰাৰ্থনা প্ৰতিযোগিতা সম্পন্ন, 'আকাশী পৰী' উন্মোচন

**ই-সংবাদ, আমগুৰি ২০ ছেপ্টেম্বৰঃ** শিৱসাগৰ জিলাৰ নামতি পিয়লি ফুকন শাখা সাহিত্য সভাৰ আকাশ উপ-সমিতিৰ সৌজন্যত খেজুৰিতল টিপমীয়া গাঁৱৰ বৰনামঘৰত মহিলা সকলৰ মাজত ১৫ ছেপ্তেম্বৰত দিনযোৰা কাৰ্যসূচীৰে প্ৰাৰ্থনা প্ৰতিযোগিতাৰ অনুষ্ঠিত হয় অনুষ্ঠানটোত পুৱা বিশিষ্ট সমাজকৰ্মী গিৰীণ গগৈয়ে বন্তি প্ৰজ্বলন কৰাৰ পাছতেই অণিমা গগৈৰ নেতৃত্বত গাঁৱৰ মহিলাসকলৰ দিহানামেৰে অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে শাখা সাহিত্য সভাৰ সভাপতি দেৱযানী মহন্তই আদৰণী ভাষণ আগবঢ়োৱাৰ পাচতেই অসম চৰকাৰৰ মহিলা আয়োগৰ সদস্যা বিনীতা শইকীয়া দেই প্ৰাৰ্থনা প্ৰতিযোগিতাৰ উদ্বোধন কৰে তেওঁ উদ্বোধনৰ ভাষনত কয় যে, বৰ্তমান সময়ত যুৱ উচ্ছৃঙ্খলতা বৃদ্ধি পাইছে, যুৱক-যুৱতী সকলক সু-পথে পৰিচালিত কৰি আধ্যাত্মিক কৰি তুলিবলৈ অভিভাৱককেই শিকাব লাগিব আৰু প্ৰাৰ্থনা সকলোৰে পুৱা গধুলি গাব লাগিব প্ৰতিযোগিতাৰ লগতে সংগতি ৰাখি পিয়লি ফুকন শাখা সাহিত্য সভাৰ সম্পাদক দেৱযানী শইকীয়াৰ এখনি গীতি নাচ নাটিকাৰ পুথি "আকাশী পৰী" উন্মোচন কৰে বিশিষ্ট সমাজকৰ্মী বিমল ভৰালীয়ে শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাত পূৰ্ণিমা বৰুৱাই প্ৰথম, দ্বিতীয় কালুগাঁও নামতিয়ালৰ কুসুম বৰা, খেজুৰিতল টিপমীয়া গাঁৱৰ মণিষা গগৈয়ে তৃতীয়, চতুৰ্থ জুলী গগৈ, পঞ্চম জয়শ্ৰী গগৈ, ষষ্ঠ জিনুমণি আৰন্ধৰা আৰু বিচাৰকৰ বিশেষ বঁটা দ্বীতিমণি গগৈ, সুমিত্ৰা গগৈ, মিনু গগৈ, দেৱীকা গগৈ আৰু অমিয়া গগৈয়ে লাভ কৰিবলৈ সক্ষম হয়


ALLEN EDUCARE

HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)

COMPUTER & MONTESSORY TEACHER TRAINING COURSE

COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE

CONTACT US +91 78965-45243

ADMISSION GOING ON


newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)

সম্পাদকঃ বিজি গগৈ (অবৈতনিক)